# কলং-কপিলী

অসম কলেজ শিক্ষক সংস্থাৰ নগাঁও-মৰিগাঁও মণ্ডলৰ
নৱম বাৰ্ষিক মাণ্ডলিক অধিৱেশনৰ স্মৰণিকা











সম্পাদকদ্বয় -
ভানু শইকীয়া
দীপ কলিতা

স্থান - কামপুৰ মহাবিদ্যালয়,
কামপুৰ ঃ অসম

# কলংকপিলী

অসম কলেজ শিক্ষক সংস্থাৰ নগাঁও-মৰিগাঁও মণ্ডলৰ

নৱম বাৰ্ষিক মাণ্ডলিক অধিৱেশনৰ স্মৰণিকা

স্থান

কামপুৰ মহাবিদ্যালয়, কামপুৰ

দিনাংক


২৮ ছেপ্টেম্বৰ, ২০১৩

সম্পাদকদ্বয়

ভানু শইকীয়া

দীপ কলিতা

**KOLONG-KAPILI :** A collection of articles, edited by Bhanu Saikia and Deep Kalita and published by Kampur College Teachers' Unit on the occasion of 9th Nagaon-Morigaon Zonal Conference held at Kampur College.




প্ৰকাশক ঃ
কামপুৰ মহাবিদ্যালয় শিক্ষক গোট

বেটুপাত ঃ
দীপ কলিতা/ঋতুপৰ্ণ শইকীয়া

অক্ষৰ বিন্যাস ঃ
বিকাশ ৰয়

মুদ্ৰণ ঃ
কম্পিউটাৰ পইন্ট, হোজাই
ফোন - ৯৮৬৪৪৬১৫৩৫

## সম্পাদনা সমিতি

উপদেষ্টাঃ
শ্ৰী প্ৰদীপ লস্কৰ
শ্ৰী পূৰ্ণানন্দ নাথ

সভাপতি ঃ
ড° কাৰাম ইবুংহান সিংহ

সম্পাদকদ্বয় ঃ
শ্ৰীমতী ভানু শইকীয়া
শ্ৰী দীপ কলিতা

সদস্য-সদস্যা ঃ
শ্ৰীমতী মিনি দেৱী
শ্ৰীমতী ৰিজু লস্কৰ
শ্ৰীমতী জ্যোতিৰূপা ডেকা

# উচৰ্গা



জন্ম - ০১-০৮-১৯৩৯

মৃত্যু - ২৬-০৯-২০১২

কামপুৰ মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক
মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ তৰুণ চন্দ্ৰ শইকীয়াদেৱৰ
পবিত্ৰ স্মৃতিত 'কলং-কপিলী' নামৰ ক্ষুদ্ৰ স্মৰণিকাখনি
উচৰ্গা কৰিলোঁ।

- সম্পাদনা সমিতি -

অসম কলেজ শিক্ষক সংস্থা

ASSAM COLLEGE TEACHERS' ASSOCIATION

Regd No. 51/236/1956/57

*Affiliated to All India Federation of Uniuversity and College Teachers' Organisations*

website : www.aifucto.org

**ACTA HOUSE, SOLAPAR, GUWAHATI-781 008**

Ph., No. President : 94351-34539 :: General Secretary : 94350-64399

website : www.acta.org.in

# MESSAGE

*We are highly pleased to know that the Nagaon-Morigaon Zonal Committee of ACTA is planning to publish a souvenir to commemorate its 9th Annual Conference. It is really a good academic activity of Nagaon-Morigaon Zone which give a platform for the researchers to expose their academic thought. Nagaon-Morigaon Zonal Committee of ACTA has always been on the lead in various academic activities in the zone in particular and whole of Assam in general. We believe, it will go a long way in infusing new blood in the very concept of imparting education in the territory level of our education system.*

*We sincerely hope that this venture will be a great success.*

| | |
|---|---|
| ***(Rana Kumar Sangmai)*** | ***(Biswajit Bhuyan)*** |
| President | Secretary |

অসম কলেজ শিক্ষক সংস্থা
ASSAM COLLEGE TEACHERS' ASSOCIATION

# MESSAGE

It gives us immense pleasure to organise the 9th Annual Conference of the Nagaon-Morigaon Zone, Assam College Teachers' Association at Kampur College, Kampur, Nagaon on 28th Sept'2013.

We are extremely happy that a souvenir in the name of "KOLONG-KAPILI" is being published to commemorate the occasion.

We hope the conference will go a long way in highlighting the aims of the ACTA and the delegates will cooperate to make the event a grand success.

With regards and warm wishes.

Sd/-
Ganesh Medhi
President; Nagaon-Morigaon Zone
ACTA.

Sd/-
Mridul Kumar Sarmah.
Secretary; Nagaon-Morigaon Zone
ACTA.

# সম্পাদকীয়

পৰিবৰ্তন প্ৰকৃতিৰ এটা নিয়ম। আমি মানো বা নামানো পৰিবৰ্তন আহিবই। ভাষা, সংস্কৃতি আদি তিষ্ঠি থাকিবলৈ হ'লে পৰিবৰ্তন আনিবই লাগিব। সেয়েহে পৰিবৰ্তন আহিছে আমাৰ ভাষা, সাহিত্য, শিক্ষা, সংস্কৃতি ইত্যাদি সকলো ক্ষেত্ৰলৈকে। আজিৰ যুগ হ'ল বিশ্বায়নৰ যুগ। তথ্য প্ৰযুক্তিয়ে গোটেই বিশ্বখনকে মুহূৰ্ততে পাব পৰা, চাব পৰা কৰি দিছে। আমি বিশ্বৰ বিভিন্ন দেশৰ বচা বচা সাহিত্য, সংস্কৃতি, ইতিহাস, ৰাজনীতি আদিৰ লগত তথ্য প্ৰযুক্তিৰ দ্বাৰাই যিদৰে পৰিচয় লাভ কৰিছো, সেইদৰে অশালীন, অনৈতিক কাৰ্যাৱলীৰ লগতো পৰিচিত হৈছো। ফলত আমাৰ ওপৰত ভালতকৈ বেয়াৰ প্ৰভাৱ বেছি গধুৰ হৈ পৰা দেখা গৈছে। বিশেষকৈ উঠিঅহা আমাৰ নৱ প্ৰজন্ম বেছি প্ৰভাৱান্বিত হৈছে। হেজাৰ হেজাৰ বছৰ পুৰণি ভাৰতীয় সভ্যতা-সংস্কৃতিয়ে পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ আগ্ৰাসনত পিছ হুহকি যাবলৈ বাধ্য হৈছে। ভোগতকৈ ত্যাগক গুৰুত্ব দিয়া পিতৃ-মাতৃ-শিক্ষাগুৰুক আগ আসন দি মৰ্যাদা প্ৰদান কৰা ভাৰতীয় সমাজ এতিয়া "যোগ্য ভোগ্য বসুন্ধৰা" হৈ পৰিছে। যিকোনো প্ৰকাৰে নিজে আনৰ কথা নাভাবি ভোগ কৰিব লাগে এই আদৰ্শত চলিছে। পিতৃ-মাতৃ এতিয়া বোজা— আলিবাটত দলিয়াই পেলাই দিয়া বস্তু। নিশা দুপৰলৈকে নিচা, ড্ৰাগচ্ সেৱনত ব্যস্ত আজিৰ নৱ প্ৰজন্ম। নিজস্ব নাইকিয়া, অস্তিত্বৰ সংকটত পৰা এটা নিঃশেষ হৈ যাবলৈ ধৰা ঐতিহ্যশালী জাতি। পৰিবৰ্তন আহিবই। কিন্তু পৰিবৰ্তনৰ বা-মাৰলিত এটা জাতিৰ ভবিষ্যত যাতে ধ্বংস হৈ নাযায়, তাৰ বাবে আমি শিক্ষক সমাজে চকু দিব লাগিব, বুজাব লাগিব। তাৰ বাবে শিক্ষক সমাজ প্ৰথমে জুইয়ে পোৰা সোণৰ দৰে নিজে নৈতিকভাৱে, চাৰিত্ৰিকভাৱে নিকাহৈ নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলক আমাৰ সোণসেৰীয়া সভ্যতা সংস্কৃতিৰ ঐতিহ্য আৰু চৰিত্ৰগঠনৰ শিক্ষা দি সুন্দৰ সুঠাম চৰিত্ৰবান উত্তৰ পুৰুষ গঢ়িব লাগিব। মানবীয় গুণেৰে অলংকৃত মানুহ হৈ সকলো সম্প্ৰদায়ৰ নিজা নিজা ঐতিহ্য যাতে নৱ প্ৰজন্মই সংৰক্ষিত কৰি ৰাখি এক জাতি হিচাপে থিয় দিব পাৰে তাৰে প্ৰযত্ন আমি শিক্ষক সমাজে কৰিব লাগিব। কিবা এটা বিচাৰি তাক নেপালেই আত্মহননৰ পথ বাচি লোৱাৰ যি মানসিকতা বৰ্তমানৰ যুৱচামৰ মনত সৃষ্টি হৈছে তাক পিতৃ-মাতৃৰ লগতে শিক্ষক সমাজেই মৰমেৰে, বুদ্ধি, যুক্তি আদিৰে বুজাই বঢ়াই নাশ কৰিবলৈ আগবাঢ়ি আহিব লাগিব। "যত্ন কৰিলেহে ৰত্ন পায়"— এইষাৰ বাক্য আমি ছাত্ৰ-ছাত্ৰীসকলক বুজাই আগুৱাই নিব পাৰিব লাগিব। শ্ৰদ্ধাৰ শিক্ষক মণ্ডলী, এইবোৰ কৈ মই আপোনাসবক কিবা বুজাব বিচাৰিছো বুলি ভুল নাভাবিব। ইমান স্পৰ্দ্ধা, ধৃষ্টতা মোৰ নাই। এয়া মাথো মোৰ অনুভৱহে।

অসম কলেজ শিক্ষক সংস্থাৰ নগাওঁ-মৰিগাঁও মণ্ডলৰ নৱম বাৰ্ষিক অধিবেশন আমাৰ কামপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্তক আদৰণি জনাই কামপুৰ মহাবিদ্যালয় শিক্ষক গোটৰ তৰফৰ পৰা এখন স্মৰণিকা প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি আমাক তাৰ সম্পাদনাৰ দায়িত্ব ভাৰ অৰ্পণ কৰা হয়। আমাক দিয়া দায়িত্ব কৃতজ্ঞতাৰে স্বীকাৰ কৰি এখন সুন্দৰ স্মৰণিকা প্ৰকাশ কৰিবৰ বাবে প্ৰচেষ্টা হাতত লোৱা হয়। কামপুৰ

মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সৰ্বসন্মতি আৰু মাণ্ডলিক কমিটিৰ অনুমতি সাপেক্ষে এই স্মৰণিকা খনিৰ নাম 'কলং-কপিলী' ৰূপে নামাংকৃত কৰা হ'ল। সম্পাদনা সমিতৰ সকলো সদস্যাই বিভিন্ন লেখনি সংগ্ৰহৰ দায়িত্ব লয়। স্মৰণিকাখনিত কামপুৰ অঞ্চলৰ এক সাম্যক চিনাকী দিবলৈ প্ৰয়াস কৰা হৈছে বিভিন্ন লেখনিৰ জৰিয়তে। পাঠক সমাজে সেই লেখনিবোৰৰ জৰিয়তে কামপুৰ অঞ্চলৰ এখন সাধাৰণ ছবি প্ৰত্যক্ষ কৰিব পাৰিব। অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি শ্ৰীযুত ৰাণা কুমাৰ চাংমাই, সাধাৰণ সম্পাদক শ্ৰী বিশ্বজিত ভূঞা, নগাঁও-মৰিগাঁও মণ্ডলৰ সভাপতি শ্ৰীযুত গণেশ মেধি আৰু সম্পাদক শ্ৰীযুত মৃদুল শৰ্মাদেৱৰ পৰা পোৱা শুভেচ্ছাবাণীৰ বাবে তেখেত সকলক কৃতজ্ঞতা জনালো। যিসকল শিক্ষকৰ ৰচনাৰাজিৰ কাৰণে স্মৰণিক খনিৰ প্ৰকাশ সম্ভৱপৰ হৈছে, সেইসকলো লেখকলৈ কৃতজ্ঞতা জনালো। আমাৰ কলেজৰ অৱসৰপ্ৰাপ্ত মাননীয় শিক্ষক কেইগৰাকীয়ে বহুমূলীয়া লেখনি স্মৰণিকাত প্ৰকাশ কৰিবলৈ দি আমাক কৃতাৰ্থ কৰা বাবে তেখেত সকললৈ বিশেষভাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। কম সময়ৰ ভিতৰতে স্মৰণিকাখন ছপা কৰি প্ৰকাশ কৰাৰ সুবিধা কৰি দিয়াৰ বাবে হোজাইৰ কম্পিউটাৰ পইন্টক কৃতজ্ঞতা জনালো।

স্মৰণিকাখন প্ৰকাশৰ ক্ষেত্ৰত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে পাঠকৰ ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰিলো।

সদৌ শেষত স্মৰণিকাখন সকলোৰে সাদৰেৰে আকোৱালি ল'ব এই আশাৰে----

ভানু শইকীয়া
দীপ কলিতা

# সূচীপত্ৰ


| | | পৃষ্ঠা নং |
|---|---|---|
| A Background History of Kampur College | Sabharam Majumdar | ১-২ |
| বিহংগম দৃষ্টিত কামপুৰ | শ্ৰী ৰিজু লস্কৰ | ৩-৫ |
| কামপুৰ ভাষাগোষ্ঠী ঃ চমু অধ্যয়ন | শ্ৰী মিনি দেৱী | ৬-৭ |
| কামপুৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা যোজনা (এন.এচ.এছ.)ৰ কাৰ্যসূচী ৰূপায়ন ঃ এক বিহঙ্গম দৃষ্টি | শ্ৰী মহেন্দ্ৰ নাথ হাজৰিকা | ৮-১১ |
| কামপুৰ কছাৰীপাৰৰ ডিমাচা কছাৰী সকল - এক আলোকপাত | শ্ৰী প্ৰদীপ লস্কৰ | ১২ |
| কামপুৰৰ আৰ্থসামাজিক দিশ - এক চমু অৱলোকন | শ্ৰী পদ্মেশ্বৰ শইকীয়া | ১৩-১৪ |
| খাদ্যৰ অধিকাৰ আৰু সুৰক্ষা | শ্ৰী প্লাবিকা নেওগ | ১৫-১৬ |
| The Problem of Teaching And Learning English As A Second Language | Mrs. Nalini Bora | ১৭ |
| Globalization and Inclusive Growth in India - AN OUTLOOK INTO THE HEALTH SECTOR | Deep Kalita | ১৮-১৯ |
| কামপুৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদকৰ আদৰণি | শ্ৰী পূৰ্ণানন্দ নাথ | ২০-২১ |

# সূচীপত্ৰ


| | | পৃষ্ঠা নং |
|---|---|---|
| A Background History of Kampur College | Sabharam Majumdar | ১-২ |
| বিহংগম দৃষ্টিত কামপুৰ | শ্ৰী ৰিজু লস্কৰ | ৩-৫ |
| কামপুৰ ভাষাগোষ্ঠী ঃ চমু অধ্যয়ন | শ্ৰী মিনি দেৱী | ৬-৭ |
| কামপুৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা যোজনা (এন.এচ.এছ.)ৰ কাৰ্যসূচী ৰূপায়ন ঃ এক বিহঙ্গম দৃষ্টি | শ্ৰী মহেন্দ্ৰ নাথ হাজৰিকা | ৮-১১ |
| কামপুৰ কছাৰীপাৰৰ ডিমাচা কছাৰী সকল - এক আলোকপাত | শ্ৰী প্ৰদীপ লস্কৰ | ১২ |
| কামপুৰৰ আৰ্থসামাজিক দিশ - এক চমু অৱলোকন | শ্ৰী পদ্মেশ্বৰ শইকীয়া | ১৩-১৪ |
| খাদ্যৰ অধিকাৰ আৰু সুৰক্ষা | শ্ৰী প্লাবিকা নেওগ | ১৫-১৬ |
| The Problem of Teaching And Learning English As A Second Language | Mrs. Nalini Bora | ১৭ |
| Globalization and Inclusive Growth in India -AN OUTLOOK INTO THE HEALTH SECTOR | Deep Kalita | ১৮-১৯ |
| কামপুৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদকৰ আদৰণি | শ্ৰী পূৰ্ণানন্দ নাথ | ২০-২১ |

It was in mid sixties that the idea of estabishing a college at Kampur first struck the mind of some verterans like Late Punaram Bora and Late Krishna Ch. Goswami. They convened a public meeting to discuss the possibility of starting a college at Kampur which was attended by the then Principal, Nowgong College Late Jageswar Sarmah and the then Principal, Nagaon Girls' College Late Mahesh Dev Goswami. In this meeting, the first committee was formed with A. Chakraborty, S.D.C.(Kampur Circle) as President and Late Rama Kanta Saikia as Secretary and Jageswar Bora, Jagat Ch. Goswami as assistant Secretaries. But, this committee failed to attain permission from Gauhati University. As far as I remember it was sometime in the last part of July, 1967 that some young enthusiasists and fresh postgraduates like Hira Borthakur, Gahit Ch. Saikia, Sabharam Majumdar and Maguram President and Secretary respectively while Rudra Bora, Upen Bayan, Saruram Laskar, Maguram Bordoloi, Kalyan Chakraborty, Bishwa Bora, Chittaranjan Sarmah Roy, Gahit Saikia, Sabharam Majumdar and Uma Kalita as its members.

With 34 students collected from different corners of the locality and with the kind permission of the Principal Dinanath Sarmah, Kampur H.S. & M.P. School, the coaching classes were held in the premises of the Science Building in the morning shift. The teachers who came forward with a missionary zeal to coach the students were Chandra Bora( a research scholar of G.U.) and Naren Sarmah(Assamese), Netrahash Goswami(English), Chittaranjan Sarmah Roy and Tridib Pandit(Mathematics), Gahit Ch, Saikia(Economics and Political Science), Sabharam Majumdar(Geography), I Mamtaz Uddin Ahmed and Tarun Ch. Saikia(History) and Bina

# A Background History of Kampur College

*Sabharam Majumdar*
Founder Teacher & Retd. Principal i/c
Kampur College

Bordoloi at a table talk discussed the topic of starting a college at Kampur. The teachers residing in the hostel, Kampur H.S. & M.P. School, like Chittaranjan Sarmah Roy, Netrahash Goswami, Bitin Dutta and Umaram Kalita also showed keen interest in the matter and stressed the need of materialising the very idea with immediate effect. A few days later, a delegation met Md. Abdul Hye, Principal, A.D.P. College and discussed the pros and cons of the matter. It was Principal Hye's suggestion that prior permission from the Gauhati University must be sought and at the same time a coaching class should be started with the male teacher and female candidates who would ultimately appear in the P.U. Final Examination in the A.D.P. College centre as non-collegiate students.

It was indeed a very practical suggestion which actually paved the way for a regular college, that was to follow very soon. In the meantime, a committee was formed to manage the coaching class with Jaga Prasad Bora and Hira Borthakur as the Deka(Education).

The news of the opening of coaching class spread to every corner of the locality and the local public felt elated at the prospect of having a college at their doorstep. In the meantime, a public meeting of the local leading persons of Kampur was held on 30th August, 1967 at Kampur Girls' School under the Presidentship of Krishna Ch. Goswami, Mauzadar and the meeting decided to start the regular college from 1968 session. A college Managing Committee was formed with Krishna Ch. Goswami as President, Kanak Ch. Borthakur as vice President, Hira Borthakur as secretary and Tartun Ch, Saikia, Gahit Ch. Saikia as assistant secretaries, and Ponaram Bora, Nirmal Laskar, Hem Baruah, Jageswar Bora, Dharma Baruah, Dinanath Sarmah, Lakheswar Gohain, Iswar Ch. Baruah, Sridhar Phukan, Upen Bayan, Aditya Laskar, Rudra Bora, Saruram Laskar, Chittaranjan Sarmah Roy, Maguram Bordoloi and Sabharam Majumdar as

members.

The managing committee started fund collection drive and preliminary arrangements were made with a view to start the formal college from July 15th, 1968. The Gauhati University Executive Council accorded permission to start the college with P.U.(Arts) class. The classes were held at the local Swaraj Bhavan in the morning hours with some part-time teachers from local High Schools. Krishnananda Sarmah Baruah, M.A.(English) was appointed the Principal on July15th, 1968 and he remained in that post till his retirement on 31st January, 1996. Other part time teachers like Tarun Ch. Saikia, M.A., B.T.(History), H.M.; Hariteron High Scool , Labanya Laskar, M.A. (Assamese) Girls' High School, Gohit Ch. Saikia, M.A. (Economics) (Teacher, Kampur Higher Secondary School), Sabharam Mazumder, M.A. (Geography, Kampur Adarsha High School) were paid a remuneration of Rs. 75/- per month only. Whole time teachers were like - Jiban Ch. Laskar, M.A. (Pol Science), Naren Ch. Sarmah, M.A. (Education) and Narayan Ch. Das, M.A. (Assamese) were paid Rs. 200/- each per month as fixed remuneration. There was acute dearth of M.A. in English and the Principal (paid Rs. 400/- per month) had to teach english. Maguram Bordoloi, M. Sc. was appointed as Office Asstt. on 15-07-1968 and Saruram Laskar, B.A. B.T. was appointed as Librarian since 1-8-1968.

There were 56 students including 20 girls on the first session which was not so encourageable and this vital element was responsible for the slow progress of the college. In the last part of 1968 the President of the college committee Krishna Ch. Goswami resigned the presidentship and Vice-president Kanak Ch. Barthakur had to work as acting Preesident till 1972. Thanks to the tireless effort of the Managing Committe, the college was allotted 40 bighas (now 20 bighas remain) of land out of the grazing reserve lying to the west of Kampur railway station.

The foundation stone of the first building at its own land was laid by Devakanta Baruah, the then Chairman, Oil India Limited on 20-2-1969 amidst must funfare and jubilation. The building construction works were done under the supervision of a building construction committee with Lakheswar Gohain, a noted Social Worker and Ex-Revenue Minister as the Secretary. Lakheswar Gohain along with Sabharam Majumder went all the way to Palashbari on hired truck one night and returned the next night with a truck load of selected sal timbers. Eventually, a C.I. sheet roofing concrete building of 2000 (approx.) square feet was erected on college land and the classes were shifted to the new building in the begining of new session of 1970. In 1973 the Managing Committee was constituted by the Government of Assam. Punaram Bora was appointed as President and Jageswar Bora as Secretary. Abdul Hye and Principal, Kampur H.S. and M. P. school was appointed as University nominees to the Governing Body.

As there was no government grant, forthcoming fund position had to be revitalised from time to time with donations and proceeds of the theatre and cinema shows organised in aid of the college. Till the deficit grant of the college, the source to meet various requirements remained limited. The worst sufferers were the teachers who had to work on consolidated salaries. Inspite of that the teachers worked hard with sense of dedications and devotions. The college was granted affiliation by the G.U. in 1968 upto P.U. Arts standard and upto B.A. 1st year in 1975. The Government of Assam sanctioned an ad-hoc recurring grant of Rs. 1000/- per month w.e.f. July, 1976 and it was enhanced to Rs. 3000/- in 1977. However, after eleven years all leaved a sigh of relief when in September, 1979 the college was brought under deficit system of grants-in-aid.

Now, Kampur college has already completed 45 years of its existence and within this period it has made relatively slow but noticeable progress. On academic front, the performance of the college has never been discouraging at any stage. The introduction of major courses in Assamese, Education, Political Science, Economics, Geography, History and English has largely benefited the local students. The Science and Commerce facilities are yet to be introduced to cater the needs of the coming generations in the modern age.

Whatever progress it has made during this period is mainly due to the sacrifice of some people and due to the love and sympathy shown to it by all sections of people of the locality.

I wish the cordial relation and co-operation among staff, students, authority and wish that the public will contribute much to the further all-round development of the college.

******

# বিহংগম দৃষ্টিত কামপুৰ

শ্ৰী ৰিজু লস্কৰ
ভূগোল বিজ্ঞান বিভাগ
কামপুৰ মহাবিদ্যালয়

অসমৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ পৰিচয় বহন কৰা ঐতিহ্যপূৰ্ণ ঠাইসমূহৰ ভিতৰত নগাঁও জিলাৰ কামপুৰ অন্যতম। নগাঁও জিলা সদৰৰ পৰা ৩২ কিঃমিঃ দক্ষিণ পশ্চিমে অৱস্থিত কামপুৰৰ বুকুৱেদি কপিলী নৈ বৈ গৈছে। প্ৰাচীন কালৰ পৰা অসমৰ ইতিহাসক কপিলী উপত্যকাৰ ঐতিহাসিক উপাদানে বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে সমৃদ্ধ কৰি আহিছে। মধ্য অসমৰ এই অঞ্চলতে পঞ্চম শতিকাৰ আগভাগত কপিলী ৰাজ্য এখন গঢ় লৈ উঠিছিল বুলি ইতিহাসবিদ সকলৰ তথ্যত পোৱা যায়। ১০৯০-১১১৫ খৃষ্টাব্দত বৰাহী পাল বংশৰ প্ৰখ্যাত ৰজা ধৰ্মপালে তেওঁৰ ৰাজ্যৰ ৰাজধানী কপিলী পাৰৰ এই ঠাইলৈ স্থানান্তৰ কৰিছিল আৰু নাম দিছিল কামৰূপপুৰ। এই কামৰূপপুৰে পিছলৈ কামপুৰ নামেৰে স্থায়ী হৈ বৈ যায়। অৱশ্যে কামপুৰ নামটো উৎপত্তিৰ ক্ষেত্ৰত অন্য কেইবাটাও কিংবদন্তী প্ৰচলিত আছে। মহাভাৰতত ভীম আৰু হিড়িম্বাৰ মিলন, অৰ্জুন আৰু প্ৰমিলাৰ মিলন, পৰৱৰ্ত্তী কালত গোপীচন আৰু জনাগাভৰুৰ মিলন আদি সম্পৰ্কত প্ৰচলিত কিংবদন্তী সমূহেও কামনা পূৰ হোৱাৰ অৰ্থত এই ঠাইখনে কামপুৰ নামেৰে খ্যাতি লাভ কৰিছিল।

প্ৰত্নতাত্তিকসকলে অনুমান কৰে কপিলী উপত্যকাত এসময়ত এক সাংস্কৃতিক বেষ্টনী গঢ় লৈ উঠিছিল। অসমত আজিলৈকে উদ্ধাৰ হোৱা প্ৰাচীন শিলালিপি সমূহৰ ভিতৰত কপিলী উপত্যকাত পোৱা মহাৰাজাধিৰাজ ভূতি বৰ্মনৰ দিনত (৫৪৪ খৃষ্টাব্দ) খোদিত শিলালিপিখনো অন্যতম প্ৰাচীন। অনুসন্ধিৎসু গৱেষক, পণ্ডিতক আকৰ্ষণ কৰিব পৰাকৈ প্ৰাচীন শিলালিপি, শৈল্যমূৰ্ত্তি, মঠ-মন্দিৰ, থান আদি প্ৰত্নতাত্বিক সমল কামপুৰৰ বিভিন্ন স্থানত বিদ্যমান। কাৱৈমাৰী অঞ্চলৰ ৰজাদিনীয়া পুখুৰী, বিষ্ণুপুৰী থানৰ শিলালিপি, শৈল্য-ভাস্কৰ্য্য, বিষ্ণুমূৰ্ত্তি আদিৰ নাম উল্লেখযোগ্য। সেইদৰে মাধৱপাৰা থান, ৰত্নাৱলী থান, বসুন্ধৰী থান আদি ধৰ্মীয় স্থান বোৰেও কামপুৰৰ গৌৰৱময় ঐতিহ্য ধৰি ৰাখিছে। ইয়াৰ উপৰিও এই কামপুৰ অঞ্চলতে ত্ৰয়োদশ শতিকাত বৰাহী কছাৰী ৰজা মহামানিক্যৰ পৃষ্ঠপোষকতাত কবি মাধৱ কন্দলীয়ে বাল্মিকীৰ মূল সংস্কৃত ৰামায়নখন অসমীয়ালৈ অনুবাদ কৰিছিল। সেই সময়ত মাধৱ কন্দলীৰ এই বিৰল সাহিত্য কৰ্মই উত্তৰ পূৰ

ভাৰতৰ এই ভৌগোলিক ভূ-খণ্ডৰ গৰিমা বৃদ্ধি কৰিছিল।

মানচিত্ৰত কামপুৰৰ ভৌগোলিক অৱস্থান হৈছে- ২৬°৯'২" উত্তৰ অক্ষাংশ আৰু ৯২° ৩১'২২" পূৰ দ্ৰাঘিমাংশৰ মাজত আৰু ইয়াত দক্ষিণ পশ্চিমৰ কাৰ্বিআংলং জিলা, পূৰৰ হোজাই, যমুনামুখ, উত্তৰৰ ৰহা, বৰকলা আদি ঠায়ে আগুৰি আছে। ইংৰাজ শাসন কালত নগাঁও জিলাৰ দক্ষিণ অংশক লৈ সমগ্ৰ কপিলী উপত্যকা সামৰি কামপুৰ ৰাজহ চক্ৰ সৃষ্টি হৈছিল। স্বাধীনোত্তৰ কালত কামপুৰ ৰাজহচক্ৰৰ কামপুৰ, লংকা আৰু হোজাই এই তিনিটা সুকীয়া ৰাজহচক্ৰত বিভাজিত কৰা হয় আৰু কামপুৰ, কঠিয়াতলী, গৰুবাট আৰু জৰাবাৰী মৌজা গঠন কৰা হয়। ২০০২ চনত ৬.১ বৰ্গ কিঃমিঃ বিস্তৃত এটা অংশক লৈ কামপুৰ নগৰ হিচাপে অসম চৰকাৰে স্বীকৃতি প্ৰদান কৰে।

বৃহত্তৰ কামপুৰ অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ সমৃদ্ধ কৰিছে কপিলী, বৰপানী, লুটুমাই আৰু নিশাৰী নৈয়ে। এই নৈ সমূহে উৰ্বৰ কৰি তোলা কামপুৰৰ মাটিত ধান, মাহ, সৰিয়হ, শাক-পাচলি আৰু কুঁহিয়াৰ আদি যথেষ্ট পৰিমানে উৎপন্ন হয়। কামপুৰ আৰু দাঁতিকাষৰীয়া কাৰ্বি আংলং জিলাৰ কিছু অংশত উৎপন্ন হোৱা কুঁহিয়াৰ খেতিৰ ওপৰত ভিত্তি কৰিয়েই কামপুৰত এটা চেনিকল স্থাপন হৈছিল যিটো ইতিমধ্যে বন্ধ হৈ গৈছে। এটা সময়ত নগাঁও জিলাৰ ভিতৰত কামপুৰ আছিল কৃষিজাত সামগ্ৰীৰ বেহাবেপাৰৰ এখন গুৰুত্বপূৰ্ণ বিণিজ্যিক স্থান। কামপুৰৰ শুকুৰবৰীয়া সাপ্তাহিক বজাৰখনৰ বিভিন্ন কৃষিজাত সামগ্ৰী গুৰ, ধান, মাহ, তামোল নাৰিকল আৰু গৰু ম'হৰ বাবে এক সুনাম আছিল। কিন্তু বৰ্তমান কামপুৰে সেই সুনাম ধৰি ৰাখিব পৰা নাই। কৃষি, বাণিজ্য আৰু একমাত্ৰ উদ্যোগ - নগাঁও সমবায় চেনিকলটোৱে কামপুৰৰ আৰ্থ সামাজিক ক্ষেত্ৰখনলৈ যি কৰ্মচঞ্চলতা আৰু স্বচ্ছলতা আনিছিল সেয়া আজি বহু পৰিমাণে স্তিমিত হৈ পৰিছে।

একোটা অঞ্চলৰ আৰ্থ-সামাজিক দিশত উন্নয়নৰ মাপকাঠি হৈছে যাতায়াত। কামপুৰৰ মাজেদি উত্তৰ-পূৰ সীমান্ত ৰেলপথ পাৰ হৈ গৈছে। কামপুৰ ৰেলষ্টেচনে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। কামপুৰৰ মাজেদি যদিও ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ যোৱা নাই তথাপি কেইবাটাও গড়কাপ্তানী পথে কামপুৰ-কঠিয়াতলি, কামপুৰ-যমুনামুখ, কামপুৰ-বৈঠালাংছু, কামপুৰ-ৰহা আৰু কামপুৰ দক্ষিণপাটক সংযোজিত কৰিছে।

এটা সময়ত কামপুৰ নগাঁও জিলাৰ দক্ষিণ পশ্চিমৰ এক বৃহত্তৰ অঞ্চলৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ আছিল। সময়ৰ দাবীত কামপুৰৰ প্ৰশাসনিক আয়তন সংকোচিত হ'ল। সম্প্ৰতি কামপুৰ ৰাজহচক্ৰত চৰকাৰী ভাবে স্বীকৃত ৫৫ খন প্ৰাথমিক বিদ্যালয়, ৭ খন উচ্চ মাধ্যমিক বিদ্যালয়, ৪ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ১ খন মহাবিদ্যালয়ৰ লগতে ব্যক্তিগত খণ্ডত ২ খন ইংৰাজী মাধ্যমৰ বিদ্যালয়, ৩ খন শংকৰদেৱ বিদ্যানিকেতন, ২ খন জাতীয় বিদ্যালয় আৰু ৩ খন কণিষ্ঠ মহাবিদ্যালয়ে কামপুৰৰ বিদ্যায়তনিক ক্ষেত্ৰখনক সজীৱ কৰি ৰাখিছে।

বিদ্যায়তনিক ক্ষেত্ৰখনৰ লগতে কামপুৰৰ বহুকেইটা বেচৰকাৰী সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানে অঞ্চলটোৰ কলা-সাহিত্য-সংস্কৃতি তথা বৌদ্ধিক দিশটোৰ উত্তৰণ ঘটোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। ইয়াৰ ভিতৰত কামপুৰ উন্নতি সাদিনী সভা, কামপুৰ ক্ৰীড়া সন্থা, কামপুৰ শাখা সাহিত্য সভা, কামপুৰ লেখিকা সমাৰোহ সমিতি, কামপুৰ সাহিত্য কানন, কপিলীপৰীয়া কবি চক্ৰ, সাংবাদিক সন্থা, আৰোহন, আপোচ আদিয়ে সক্ৰিয়ভাৱে অঞ্চলটোলৈ সেৱা আগবঢ়াই আছে। কামপুৰ কেন্দ্ৰীয় নামঘৰ ও ৰাস পথাৰ, স্বৰাজ ভৱন আৰু দিব্যজ্যেতি নাট্য মন্দিৰ, কামপুৰ শাখা সাহিত্য সভা ভৱন, এই তিনিওটা কামপুৰ অঞ্চলৰ কলা-সাহিত্য-সংস্কৃতি সাধনাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈ আহিছে।

কামপুৰ অঞ্চলত থকা অন্যান্য চৰকাৰী প্ৰতিষ্ঠান সমূহ হৈছে চক্ৰ বিষয়াৰ কাৰ্যালয়, ৰেল ষ্টেচন, ডাকঘৰ, আৰক্ষী নিবেশ, উপ পঞ্জীয়কৰ কাৰ্যালয়, নগৰ সমিতিৰ কাৰ্যালয়, উত্তৰ পূৰ পৰিষদৰ কাৰ্যালয়, গড় কাপ্তানী বিভাগৰ কাৰ্যালয়, বিদ্যুৎ পৰিষদৰ কাৰ্যালয়, বন বিষয়াৰ কাৰ্যালয়, অগ্নি নিৰ্বাপক বাহিনীৰ কাৰ্যালয়, কেন্দ্ৰীয় জল আয়োগৰ কাৰ্যালয় আদি ইয়াৰোপৰি কেইবাটাও বিত্তীয় প্ৰতিষ্ঠান - ষ্টেট বেংক অৱ ইণ্ডিয়া, ইউনাইটেড বেংক অৱ ইণ্ডিয়া, চেন্টেল বেংক, অসম গ্ৰামীণ বিকাশ বেংক,

এইচ ডি এফ চি আদিয়ে অঞ্চলটোত সেৱা আগবঢ়াই আছে।

চিকিৎসা ব্যৱস্থাৰ সা-সুবিধাই এটা অঞ্চলৰ জন স্বাস্থ্যৰ দিশটো প্ৰতিফলিত কৰে। কামপুৰ মাত্ৰ ১ খন ৩০ খন বিছনাযুক্ত এফ আৰ ইউ (First Referal Unit) ২ খন ৰাজ্যিক চিকিৎসালয় (কামপুৰ আৰু কচুৰাত) আৰু স্বাস্থ্য উপ-কেন্দ্ৰ সমূহে সমগ্ৰ অঞ্চলটোত চিকিৎসা সেৱা আগবঢ়াই আছে।

জনগাঠনি আৰু জনবসতিৰ ক্ষেত্ৰত কামপুৰ হৈছে বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনক্ষেত্ৰ। ইয়াত বিভিন্ন ধৰ্ম, বৰ্ণ, সম্প্ৰদায়ৰ মানুহে বসবাস কৰে। প্ৰত্নতাত্বিক সকলৰ মতে খৃঃপূঃ ২৫০০ বছৰৰ পুৰ্বে অষ্ট্ৰিক গোষ্ঠীৰ খাছীয়া জনগোষ্ঠীৰ লোকসকলে কপিলী উপত্যকাত বসবাস কৰিছিল। ১৫০০ খৃঃপূঃ আগত মংগোলীয় গোষ্ঠীৰ তিৰ্বত-বৰ্মী কছাৰীৰ এটা ঠাল কাৰ্বিসকলে খাছীয়া সকলক বিতাৰণ কৰি বসবাস কৰিবলৈ লয়। পৰবৰ্তী কালত ডিমাছা কছাৰী, আহোম, কনৌজ-নবদ্বীপ-বেনাৰস, আদি ঠাইৰ পৰা ব্ৰাহ্মণ, কায়স্থ, ক্ষত্ৰিয় আদিৰ লগতে কমাৰ, কুমাৰ, হীৰা, ধুবী, চড়াল আদি লোকসকলে আহি বসতি স্থাপন কৰে। ইয়াৰোপৰি ত্ৰয়োদশ শতিকাত গৌৰদেশীয় যুদ্ধবন্দী গৰিয়াসকল কামপুৰৰ ঘিলানী অঞ্চলত থাকিবলৈ লয়। ১৯৩৭ চনত মুখ্যমন্ত্ৰী চৈয়দ চাদুল্লাৰ দিনত কচুৰা অঞ্চলত আনি স্থাপন কৰা ১২০০ মুছলমান পৰিয়াল আৰু বিভিন্ন কাৰকৰ মাজেৰে আহি বসতি স্থাপন কৰা মাৰোৱাৰী, নমঃশূদ্ৰ, হালুৱৈ শালৈ, মালী সকলৰো বাসস্থান হৈ পৰে কামপুৰ। ২০১৩ চনত কামপুৰ ৰাজহচক্ৰৰ মুঠ ১৪০ খন ৰাজহ গাঁৱত সৰ্বমুঠ জনসংখ্যা হ'লগৈ ২,২৩,৮১৫ জন।

কামপুৰ এখন সুন্দৰ বাসোপযোগী ঠাই। পলসুৱা মাটি। নিশাৰী-হাৰিয়া, কপিলী-বৰপানীৰ উপৰিও দীঘলী, ফাকলি, মানুহমৰা, ওৰাইলঙি, গেধেমা, ভৰিধোৱা আদি বিলৰ পানীয়ে এই অঞ্চলটোক বছৰৰ বাৰমাহে জীপাল কৰি ৰাখে। সেয়ে হয়তো অতীজৰে পৰা এই অঞ্চললৈ বিভিন্ন ধৰ্ম, বৰ্ণ, সম্প্ৰদায়ৰ লোক আহি বসতি স্থাপন কৰিছিল। কামপুৰ হিন্দু, ইছলাম, শিখ, জৈন আদি বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বাসস্থান। কামপুৰ ডিমাছা, কছাৰী, কাৰ্বি, আহোম, তিৱা, কোঁচ, কলিতা, কেউট, যোগী, ব্ৰাহ্মণ আদি বিভিন্ন সম্প্ৰদায়ৰ মিলনভূমি। এই দিশত ক'ব পাৰি যে কামপুৰে বহন কৰি আহিছে সমন্বয়ৰ বিশাল ঐতিহ্য। অৱশ্যে বৰ্তমানে কামপুৰ দ্ৰুত পৰিৱৰ্তনশীল পৃথিৱীৰ সৈতে খোজ মিলাব পৰাকৈ সক্ষম হৈ উঠা নাই। কামপুৰৰ অতীতৰ গৌৰবোজ্জ্বল ঐতিহ্য বৰ্তমান বহু পৰিমাণে ম্লান হৈছে বুলি ক'ব পাৰি। নগাওঁ জিলাৰ এই ঐতিহ্যপূৰ্ণ ঠাইখনক কেন্দ্ৰ কৰি এটা মহকুমা গঠনৰ দাবী বহুদিনীয়া। কামপুৰ মহকুমা গঠন হ'লে এই ঐতিহ্যপূৰ্ণ ঠাইখনৰ সৰ্বাংগীন বিকাশ সাধন সম্ভৱ হ'ব বুলি আশা কৰিব পাৰি।

*****


সহায়ক গ্ৰন্থ ঃ

১। কামপুৰৰ ইতিবৃত্ত ঃ প্ৰমোদ কৰা।

২। কপিলীৰ পৰস কামপুৰ ঃ ৰেৱত কুমাৰ হাজৰিকা

৩। কপিলী গঙ্গা ঃ স্মৃতিগ্ৰন্থ (অসম বৈদিক বৈষ্ণৱ মহাসভা চতুৰ্থ দ্বি বাৰ্ষিক কামপুৰ অধিৱেশন)

৪। সাৰস্বত ঃ স্মৃতিগ্ৰন্থ (মহাৰজত জয়ন্তী উৎসৱ, কামপুৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়)

# কামপুৰ ভাষাগোষ্ঠী ঃ চমু অধ্যয়ন

মিনি দেৱী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, কামপুৰ মহাবিদ্যালয়

অসমত বিভিন্ন ভাষাগোষ্ঠীৰ লোকে বসবাস কৰি আছে। অসমীয়া ভাষা মূলত ঃ আৰ্য সম্ভূত ভাষা হ'লেও অসমীয়া শব্দ ভাণ্ডাৰত অনাৰ্য ভাষাগোষ্ঠীৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। আৰ্য ভাষাগোষ্ঠীৰ লোক ভাৰতত প্ৰৱেশ কৰাৰ আগতে অনাৰ্য ভাষাগোষ্ঠীৰ লোক পূৰ্বৰ পৰাই আছিল। ভাষা গোষ্ঠীৰ বিচাৰত ভাৰতত মূলত ঃ চাৰিটা ভাষা গোষ্ঠীৰ লোক আছে। সেই কেইটা হ'ল-

১। অষ্ট্ৰিক ভাষা গোষ্ঠী
২। দ্ৰাবিড় ভাষা গোষ্ঠী
৩। তিব্বত-চীনীয় বা চীন তিব্বতীয় ভাষাগোষ্ঠী
৪। ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী

ভাৰতৰ প্ৰাচীনতম অধিবাসী নেগ্ৰিটো বা নেগ্ৰইড জাতিৰ অস্তিত্ব কেতিয়াবাই বিলুপ্ত তাৰ পিছত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ লোকসকল ভাৰতত প্ৰৱেশ কৰে। অসমত প্ৰধানকৈ অষ্ট্ৰিক ভাষাগোষ্ঠী, চীন-তিব্বতীয় ভাষা গোষ্ঠী আৰু ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ লোক পূৰ্বৰ পৰাই বসবাস কৰি আহিছে। ভাৰতীয় আৰ্য ভাষাগোষ্ঠীৰ লোকসকল একেবাৰে শেষত অহা। অসমীয়া ভাষা ভাৰতীয় আৰ্য ভাষাৰ পৰা উদ্ভৱ হলেও অনাৰ্য ভাষাগোষ্ঠীৰ অৱদানেৰে অসমীয়া ভাষা সমৃদ্ধিশালী হৈছে। এই সূত্ৰৰ আধাৰত প্ৰবন্ধটোত কামপুৰক কেন্দ্ৰ কৰি কামপুৰৰ আশে-পাশে থকা বিভিন্ন ভাষাগোষ্ঠীৰ বিষয়ে অতি চমুকৈ আলোচনা কৰিব বিচৰা হৈছে।

কামপুৰক কেন্দ্ৰ কৰি এই অঞ্চলৰ আশে-পাশে বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰি আছে বুলি ক'ব পাৰি। কামপুৰৰ গাতে লাগি থকা আহোম গাওঁ, চাংচকী, তেতেলীসৰা, লুটুমাৰী, নাৰিকলি, নিজ কামপুৰ, আটি কামপুৰ, মহাগৰ আটি, পাৰলিগুৰি, মাজৰ আটি, ভল্‌ভলীয়া গাওঁ, দেউৰীগাওঁ, গুৱালা গাওঁ আদি অনেক গাওঁ আছে। এই আটাইবোৰ অঞ্চল বিভিন্ন ভাষাগোষ্ঠীৰ শাখা প্ৰশাখাৰে সমৃদ্ধ হৈ আছে। এই লোক সকলে শিক্ষা-দীক্ষা বা ব্যৱহাৰিক সকলো দিশতে অসমীয়া ভাষা হাড়ে-হিমজুৰে গ্ৰহণ কৰিলেও ভাষাগোষ্ঠীৰ বিচাৰত সুকীয়া সুকীয়া স্থান দখল কৰি আছ। ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্যতম শাখা ভাৰতীয় আৰ্যভাষা গোষ্ঠীৰ লগতে চীন-তীব্বতীয় ভাষাগোষ্ঠীৰ লোকৰ বসতি বাৰুকৈয়ে দেখিবলৈ পোৱা গৈছে। চীন-তীব্বতীয় ভাষা গোষ্ঠীৰ প্ৰধান দুটা শাখা হ'ল- তিব্বত বৰ্মী আৰু শ্যামচীনীয়। তিব্বত-বৰ্মীৰ অন্যতম শাখা অসম বৰ্মীৰে প্ৰশাখা উপভাষাবোৰৰ ভিতৰত থকা বড়ো আৰু নাগা শাখা। বড়ো প্ৰশাখাৰ বিভিন্ন ফৈদৰ উপভাষাবোৰৰ ভিতৰত থকা বড়ো, ডিমাছা, গাৰো, কোচ, লালুং বা টিৱা, চুতীয়া আদি লোক সকলৰ বসতি কামপুৰ অঞ্চলত দেখিবলৈ পোৱা যায়। কামপুৰৰ গাতে লাগি থকা লুটুমাৰী চাৰিআলিক কেন্দ্ৰ কৰি এখন বড়ো গাওঁ এতিয়াও আছে। লুটুমাৰি চাৰিআলিতে এতিয়াও এখন অসমীয়া গাৰো গাওঁ বুলি খ্যাত অঞ্চল আছে। এটা সময়ত চাংচকী, নিজ কামপুৰ, আটি কামপুৰ, আটি গাওঁ, ডিমাছা, অধ্যুষিত অঞ্চল হিচাপে খ্যাত আছিল যদিও দক্ষিণ পাট সত্ৰৰ সত্ৰাধিকাৰৰ ওচৰত শৰণ লৈ নিজকে কোচ হিচাপে চিনাকি দিয়ে। কিন্তু বৰ্তমান এই সম্প্ৰদায় খিনিয়ে পুনৰ ডিমাছা হিচাপে নিজকে চিনাকি দিবলৈ প্ৰয়াস কৰা দেখা গৈছে। তেতেলিসৰা অঞ্চলত কোচ সম্প্ৰদায়ৰ লোক এতিয়াও আছে। হালোৱা ভকত গাৱঁতো কোচৰ বসতি আছে।

কামপুৰ অঞ্চলৰ আশে-পাশে লালুং বা টিৱা ভাষী লোকৰ সংখ্যা বহুত আছিল। বৰ্তমানে এওঁলোকে নিজস্ব ভাষা এৰি অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া ভাষী হৈ পৰিছে। লুটুমাৰি চাৰিআলি, তেতেলিসৰা গ্ৰান্ট, বৰঘাট, বৰকলা, বন্দুৱা, বুটীকুৰা, জৰাবাৰী আদি অঞ্চলত তিৱা ভাষা গোষ্ঠীৰ লোকসকলে বসতি কৰি আছে। কামপুৰৰ গাতে লাগি থকা গোৱালা গাওঁত বৰ্তমানেও কামপুৰ লালুং গাওঁ জৱাহৰলাল প্ৰাথমিক বিদ্যালয়খনে তিৱা ভাষী লোকসকলৰ ঐতিহ্য বহন কৰি আছে। কামপুৰৰ পৰা প্ৰায় ১২ কিঃমিঃ মান দূৰত্বত অৱস্থিত নামবৰ লালুং গাওঁত থকা তিৱা সকলে এতিয়াও তিৱা ভাষাত নিজৰ কথা-বতৰাত ব্যৱহাৰ কৰি আছে। শিক্ষা-দীক্ষা বা নিজৰ

সমাজৰ বাহিৰলৈ ওলাই আহিলে অসমীয়া ভাষাকে সংযোগৰ মাধ্যম হিচাপে গ্ৰহণ কৰি আছে।

কামপুৰৰ নিচেই ওচৰতে এখন দেউৰীগাওঁ আছে। চুতীয়াসকলৰ পুৰোহিত শ্ৰেণীৰ লোকক 'দেউৰী' বুলি খ্যাত। খুব সম্ভৱ এই দেউৰীগাওঁৰ লোকসকলো পূৰ্বত বড়ো শাখাৰ প্ৰশাখা চুতীয়া-দেউৰী বুলি ভাবিবৰ অৱকাশ আছে। কিন্তু বৰ্তমান এই লোকসকল সম্পূৰ্ণ অসমীয়া ভাষী হিচাপে বসবাস কৰি আছে।

তিব্বতবৰ্মীৰ অন্যতম শাখা অসম বৰ্মীৰ আন এটা উপশাখা হ'ল - 'কুকি-চীন'। কুকি-চীন আৰু বড়ো-নাগা পৰিয়ালৰ লগত সম্বন্ধিত অন্যতম ভাষা হৈছে 'কাৰ্বি' ভাষা। পূৰ্বতে অবিভক্ত নগাওঁ জিলাত কাৰ্বি সকলৰ বসতি প্ৰধান আছিল। ভাষাও কাৰ্বি ভাষাই আছিল। এতিয়াও কাৰ্বি আংলংত কাৰ্বি ভাষা প্ৰচলন আছে। কিন্তু কামপুৰত ওচৰত থকা বৰচুং আৰু লুটুমাৰি চাৰিআলিত লুটুমাৰি ৰংমিলিত কেইবাঘৰো কাৰ্বিৰে সৰু কাৰ্বি গাওঁ এখন আছে। এওঁলোকে নিজস্ব ভাৱে কাৰ্বি ভাষা ব্যৱহাৰ কৰে। কিন্তু শিক্ষা-দীক্ষা বা নিজৰ সমাজৰ বাহিৰলৈ ওলাই আহিলে অসমীয়া ভাষাকে গ্ৰহণ কৰি অসমীয়া কাৰ্বি হিচাপে পৰিচয় পোৱা যায়।

চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ তিব্বত-বৰ্মী শাখাৰ পিচতে আনটো শাখা হ'ল- শ্যাম-চীনীয়। শ্যাম-চীনীয়ৰ এটা প্ৰধান উপ-শাখা হ'ল- টাই বা থাই। টাই শাখাৰ অন্তৰ্গত অন্যতম ভাষা হ'ল- আহোম ভাষা। অসমত প্ৰায় ৬০০ বছৰ কাল ৰাজত্ব কৰা আহোম সকলৰ কিছু লোকৰ বসতি অঞ্চল কামপুৰৰ নিচেই কাষতে আছে। চাংচকী আৰু আহোম গাওঁ বুলি খ্যাত এই দুই গাওঁত এতিয়াও এই গোষ্ঠীৰ লোকে বস-বাস কৰি আছে।

আহোম ৰাজত্বৰ কালছোৱাত সমাজ সুশৃংখলিত ভাৱে চলিবৰ বাবে বিভিন্ন বৃত্তিজীৱী লোকক সংস্থাপন কৰিছিল বা বিভিন্ন বৃত্তিত বহুলোকক নিয়োগ কৰিছিল। এওঁলোকক নিয়োগ কৰোঁতে ভাষাগোষ্ঠীৰ বিচাৰ কৰা নাছিল। গতিকে বিভিন্ন ভাষাগোষ্ঠীৰ লোকৰ মাজৰ পৰাই নিয়োগ কৰা বৃত্তিজীৱী কামপুৰৰ আশে-পাশে দেখিবলৈ পোৱা যায়। সেই লোকসকল হ'ল- কমাৰ, কুমাৰ, চমাৰ, হীৰা, কৈবৰ্ত্ত, বনিয়া ইত্যাদি।

ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ লোকৰ ভিতৰত ভাৰতীয় আৰ্য ভাষাৰ লোক কামপুৰত যথেষ্ট পৰিমাণে আছে। কামপুৰত অসমীয়া, বঙালী, বিহাৰী, ৰাজস্থানী, নেপালী, কমাৰ, কুমাৰ, চমাৰ, অসমীয়াপাঞ্জাৱী, ইছলামধৰ্মী আদি অনেক লোকৰে ভৰপূৰ হৈ আছে। ধৰ্মীয় দিশৰ পৰা এই অঞ্চল অতীতৰ পৰা হিন্দু মুছলমান সম্প্ৰদায়ৰ বসতি প্ৰধান অঞ্চল হিন্দু ধৰ্মী লোকৰ যিদৰে এই ভাষাগোষ্ঠীৰে অসমীয়া, বঙালী, মাৰোৱাৰী, নেপালী, অসমীয়া পাঞ্জাবী আছে সেইদৰে ইছলামধৰ্মী লোকসকলৰ মাজতো অসমীয়া গৰিয়া, মৈমনচিঙীয়া, ঢাকায়া, চিলেটীয়া, নোৱাখোলীয়া ইত্যাদি অনেক ভাষা পোৱা লোক সকল মূল ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত।

কামপুৰ অঞ্চলত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ লোক আছিল নে নাই গভীৰ অনুসন্ধান অবিহনে খাটাংকৈ ক'ব নোৱাৰি। কিন্তু অষ্ট্ৰিক সকলে দি যোৱা অৱদান কামপুৰৰ বুকুতো জীয়াই আছে। তামোল-পানৰ বাৰী প্ৰাচুৰ্যতা, হালধিৰ ব্যৱহাৰ, জহা ধানৰ খেতি, নাঙলৰ ব্যৱহাৰ আদি লৈ লক্ষ্য কৰি অষ্ট্ৰিক ভাষাগোষ্ঠীৰ লোকৰ প্ৰভাৱ নুই কৰিব নোৱাৰি।

ভাষাগোষ্ঠীৰ বিচাৰত আৰ্য-অনাৰ্য ভাষাগোষ্ঠীৰ লোক সকলৰ সামাজিক, ৰাজ্যনৈতিক, শৈক্ষিক, আৰ্থিক, ধাৰ্মিক, আদি বিভিন্ন দিশৰ সংগম স্থল- বৃহত্তৰ কামপুৰ অঞ্চল বিচিত্ৰ বৈচিত্ৰ্যৰে ভৰপূৰ। এই বৈচিত্ৰ্যই বৃহত্তৰ অসমীয়া জাতি গঠনত যে বিশেষ ভূমিকা আছে সেয়া নিশ্চিত। আন এটা তাৎপৰ্যপূৰ্ণ বিষয় হ'ল- কামপুৰ অঞ্চলক কেন্দ্ৰ কৰি যিবোৰ আৰ্য বা অনাৰ্যগোষ্ঠীৰ লোকৰ বসতি আছিল, সেই লোকসকলৰ মাজতো বৈবাহিক সূত্ৰে ভিন্ন গোষ্ঠীৰ মাজত সম্বন্ধ স্থাপন হৈ ভাষা গোষ্ঠী বোৰৰ অন্তৰ্গত বিভিন্ন ভাষাৰ সংমিশ্ৰন ঘটিছে। মান্য অসমীয়া ভাষাৰ লগত এই অঞ্চলৰ কথিত ভাষাৰ মাজত থকা পাৰ্থক্য মন কৰিবলগীয়া। বিশেষকৈ উচ্চাৰণৰ বৈশিষ্ট্য কামপুৰ অঞ্চলৰ লোকৰ মাত-কথাত বিশেষভাৱে মনকৰিবলগীয়া। সেয়া যিয়েই নহওক, মূলতঃ কামপুৰ অঞ্চলৰ আশে-পাশে থকা গাওঁ বা সমাজৰ সুকীয়া ভাষাগোষ্ঠীৰ প্ৰভাৱে কামপুৰ অঞ্চলৰ ভাষাক যে বৈচিত্ৰ্যময় কৰি তুলিছে সেয়া ধ্ৰুৱপ।


সহায়ক গ্ৰন্থ ঃ

নগেন ঠাকুৰ ঃ ভাৰতীয় ভাষাৰ পৰিচয়, প্ৰথম প্ৰকাশ, ১৯৮৩

তথ্যদাতা ঃ ৰূপজ্যোতি ভূঞা, তেতেলিসৰা, সাংবাদিক কামপুৰ।

# কামপুৰ মহাবিদ্যায়ত ৰাষ্ট্ৰীয় সেৱা যোজনা (এন.এছ.এছ.) ৰ কাৰ্যসূচী ৰূপায়ণ : এক বিহংগম দৃষ্টি

শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা
অৱসৰ প্ৰাপ্ত অধ্যাপক
কামপুৰ মহাবিদ্যালয়

*"People love your wealth not you. Your wealth is not that what you have earned, but by which you have earned. It is inside of you and that is your talent."*

সামাজিক পৰিস্থিতিৰ দ্ৰুত পৰি:বৰ্ত্তনৰ লগে লগে জীৱনব্যাপী শিক্ষাই মানুহক ব্যক্তিগত আৰু সামাজিকভাৱে সমাযোজনত সহায়ক হৈ পৰে। জীৱন ব্যাপী শিক্ষাই ব্যক্তিৰ আজৰি সময়কন সৌন্দৰ্য্যবোধক আৰু সৃজনাত্মকভাৱে সদ ব্যৱহাৰ কৰাত বৰঙনি যোগায়। জীৱন ব্যাপী শিক্ষাই মানুহক বৌদ্ধিক প্ৰয়োজন পূৰণৰ উপৰিও এই শিক্ষাই মানসিক স্বাস্থ্য ৰক্ষাৰ প্ৰয়োজনো পূৰণ কৰি তুলিব পাৰে।

ৰাষ্ট্ৰীয় সেৱা যোজনা (National Service Scheme) ভাৰত চৰকাৰৰ দ্বাৰা অনুমোদিত এখন শিক্ষামূলক আঁচনি। ভাৰত স্বাধীন হোৱাৰ পৰৱৰ্ত্তী সময়ছোৱাত দেশৰ যুৱ প্ৰতিনিধি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সজাগতা সৃষ্টিৰে ৰাষ্ট্ৰ গঠনৰ কামত সাঙুৰি লোৱাৰ আৱশ্যকতা অনুভূত হ'ল। আৰু সেয়ে ১৯৫০ চনত গঠিত প্ৰথম শিক্ষা কমিচনে ৰাষ্ট্ৰ গঠনত স্বত:স্ফূৰ্ত্তভাৱে ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণৰ পৰিকল্পনাত অনুমোদন জনায়। পিছত প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ পৰামৰ্শ অনুযায়ী কমিচনে ড° ডি.চি. দেশমুখক কমিটিৰ চেয়াৰমেন নিযুক্ত কৰি বাধ্যতামূলকভাৱে ডিগ্ৰী কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে স্বেচ্ছাৰে ৰাষ্ট্ৰ গঠনত সহায় কৰাৰ আঁচনি কৰাৰ আঁচনি প্ৰস্তুত কৰে। ১৯৬৯ চনত জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম শতবাৰ্ষিকীৰ লগত সঙ্গতি ৰাখি ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰনালয়ে ১৯৬৯-৭০ চনৰ পৰা বিভিন্ন ৰাজ্যৰ মহাবিদ্যালয় সমূহত ৰাষ্ট্ৰীয় সেৱা যোজনা (এন.এছ.এছ.) ৰ কাম আৰম্ভ কৰে। আঁচনিখন বলবৎ হোৱাৰ লগে লগে দেশৰ যুৱ শক্তিৰ বিপুল সঁহাৰি লাভ কৰে। ফলস্বৰূপে ১৯৮৯-৯০ চনলৈকে দেশৰ প্ৰায় দহ লাখ ছাত্ৰ-ছাত্ৰীয়ে এই আঁচনিত অংশ গ্ৰহন কৰি কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হয়।

দীঘদীন ধৰি আঁচনিখন চলি থকাৰ অন্তত ১৯৮৪ চনৰ আগষ্ট মাহত সংখ্যাগত আৰু গুণগত দিশলৈ লক্ষ্যকৰি আঁচনিখনৰ সম্প্ৰসাৰণ ঘটোৱাৰ লগতে কিছু পৰিৱৰ্ত্তন সাধন কৰে। অদ্যপি এই আঁচনিৰ কাম চলি আছে।

এইখিনিতে থুৰতে এন.এছ.এছ.ৰ মূলমন্ত্ৰ, লক্ষ্য আৰু উদেশ্য সম্পৰ্কে উল্লেখ কৰা ভাল হ'ব। এন.এছ.এছ.ৰ মূলমন্ত্ৰ হৈছে - "NOT ME BUT YOU". যাৰ অৰ্থ হৈছে গনতান্ত্ৰিকভাৱে জীয়াই থাকি নিস্বাৰ্থভাৱে জনগনৰ সেৱাও ব্ৰতী হোৱা, ব্যক্তিৰ উন্নয়নেই সমাজৰ উন্নয়ন। ৰাষ্ট্ৰীয় সেৱা যোজনাই দৈনন্দিন কাম-কাজত তাৰেই প্ৰতিফলন ঘটায়।

এন.এছ.এছ.ৰ লক্ষ্য বহুমূখী ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব গঠন সমূহীয়া কামৰ মাজেৰে গঢ়ি তোলা হয়। সেই উদেশ্যে স্বেচ্ছাসেৱক সকলে জনসাধাৰণৰ লগত বা মাজত কাম কৰিব লাগে। সামাজিক আৰু গঠনমূলক কামত ব্যস্ত থাকি নিজে নিজৰ অভিজ্ঞতা সঞ্চয় কৰাৰ উপৰিও সমাজৰ পৰাও অভিজ্ঞতা আহৰন কৰিব পাৰে। অপ্ৰতাশিত আৰু কিছু জৰুৰী সমস্যা নিজ দক্ষতা প্ৰয়োগ কৰি সমাধান কৰাৰ সুযোগ লাভ কৰে। নিজ নিজ দক্ষতা প্ৰয়োগ কৰি গনতান্ত্ৰিকভাৱে নেতা হোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰে। নিজ দক্ষতাৰে স্ব-নিয়োজনৰ সুযোগ লাভ কৰা বৰঙনি যোগাব পাৰে। শিক্ষিত আৰু অশিক্ষিত সমাজৰ মাজত এখন সেঁতু ৰচনা কৰি সমাজৰ দৰিদ্ৰ জনসাধাৰণৰ সেৱাত প্ৰবৃত্ত হোৱাৰ ইচ্ছা প্ৰকট কৰাই এই আঁচনিৰ মূল উদেশ্য।

এন.এছ.এছ.ৰ ভলন্টিয়াৰ সকলৰ বাবে কামৰ সময়ত বাধ্যতামূলকভাৱে পৰিধান কৰিব পৰাকৈ প্ৰতীক সহ 'বেজ'ৰ ব্যৱস্থা আছে এই 'বেজ' ওৰিষ্যাৰ কনাৰ্ক সূৰ্য মন্দিৰৰ আৰ্হিত 'ৰথ'ৰ চকাৰে নিৰ্মিত। ৰথ খনত ২৪ টা চকৰি আৰু ৮ ডাল লোহাৰ ডাঙ্গ আছে যিয়ে সূচিত কৰে ২৪ ঘন্টা অথবা ৮ প্ৰহৰৰ কথা। 'ৰথ'ৰ বৃক্ষ চকৰি সমূহে সৃষ্টি পৰিত্ৰান আৰু মুক্তিৰ সন্ধানৰ কথা বুজোৱাৰ উপৰিও জীৱনজোৰা কামৰ ইপাৰ-সিপাৰ, কাল আৰু ঠাইৰ বৰ্ণনা কৰে। এন.এছ.এছ. 'বেজ'টোৱে সদায় ভলন্টিয়াৰ সকলক ২৪ ঘন্টাই জননীৰ সেৱাত ব্ৰতী হ'বলৈ সাজু হৈ থকাৰ বাবে সোঁৱৰাই দিয়ে। 'বেজ'ত বুলাই দিয়া ৰঙা ৰঙে এন.এছ.এছ. ভলন্টিয়াৰ সকল যে তেজোতীপ্ত বাজীৱন্ত, কাৰ্যক্ষম আৰু তজবজীয়া সেই কথাকে সূচায়। 'নেভি ব্লু' ৰং টোৱে ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰতম অংশ এন.এছ.এছ.ছে মানৰ জাতিৰ কল্যানৰ বাবে সামান্যভাৱে হ'লেও যে বৰঙনি আগবঢ়াব পাৰে তাৰেই সংকেত বহন কৰিছে।

এন.এছ.এছ.ৰ ভলন্টিয়াৰ সকলে কিছু নীতি-নিয়ম বা বিধি-বিধান মানি চলিব লগা হয়। এন.এছ.এছ.ৰ সকলো ভলন্টিয়াৰে প্ৰগ্ৰেম অফিচাৰে মনোনীত কৰা দলৰ দলপতিৰ নেতৃত্বত কাম কৰিব লাগিব। ভলন্টিয়াৰ সকলে দলপতি অথবা সৰ্বসাধাৰন ৰাইজৰ নেতৃত্বৰ প্ৰতি গুণগত বিশ্বাস ভাজন হোৱাৰ উপৰিও তেওঁলোকৰ লগত সহযোগ কৰিব লাগিব। তাৰোপৰি সন্দেহযুক্ত অথবা আপত্তিজনক কোনো ঘটনা উদ্ধৱ হ'লে তাৰ পৰা তেওঁলোক আঁতৰি থাকিব লাগিব।

ভলন্টিয়াৰ সকলৰ একোখন কৈ খতিয়ান বহী (ডায়েৰী) দিয়া হয় য'ত তেওঁলোকে দৈনন্দিন কামৰ আৰু অভিজ্ঞতাৰ কথাবোৰ নামভুক্ত কৰিব পাৰে। পৰৱৰ্তী সময়ত উক্ত ডায়েৰি সমূহ প্ৰতি ১৫ দিনৰ অন্তত দলৰ দলপতি অথবা প্ৰগ্ৰেম অফিচাৰক জমা দি ভবিষ্যৎ কৰ্ম আঁচনিৰ বাবে পৰামৰ্শ ল'ব লাগে। প্ৰতি গৰাকী ভলন্টিয়াৰে এন.এছ.এছ.ৰ কাম কৰাৰ সময়ত এন.এছ.এছ. 'বেজ' পৰিধান কৰাটো বাধ্যতামুলক।

১৯৭৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সমন্বয়ক বি.চি.দাসে একপত্ৰযোগে কামপুৰ মহাবিদ্যালয়ত এন.এছ.এছ.ৰ এটা ইউনিট (Unit) দিয়াৰ কথা জনায়। প্ৰথম ইউনিটটোৱেই ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহন কৰাৰ সুবিধা প্ৰদান কৰে। এন.এছ.এছ.ৰ এটা ইউনিট কলেজলৈ অহাৰ লগে লগে সেই সময়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ কৃষ্ণানন্দ শৰ্মা বৰুৱাই প্ৰশাসনীয় সমিতিৰ পৰামৰ্শ ক্ৰমে মোক এন.এছ.এছ.ৰ প্ৰগ্ৰাম অফিচাৰ (Programme Officer) ৰ দায়িত্ব ন্যস্ত কৰে। ১৯৭৯ চনত পশ্চিম বঙ্গৰ বিশ্ব ভাৰতীৰ অন্তৰ্গত সমাজ সেৱা বিভাগে আয়োজন কৰা শ্ৰীনিকেতনৰ অনুশীলন শিবিৰত (Orientation Camp) গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অংশ গ্ৰহন কৰোঁ। ইয়াৰ পিছত গুৱাহাটী বেলতলস্থ 'নীপচিড' শিশু আৰু নাৰীৰ কল্যান সম্পৰ্কীয়, যোৰহাট কৃষি বিশ্ববিদ্যালয়ত 'এইডছ'ৰ অনুশীলন শিবিৰত অংশ গ্ৰহন কৰি প্ৰশিক্ষন লোৱা হয়। তাৰোপৰি বিভিন্ন ছেমিনাৰ আৰু অসমৰ বাহিৰৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত সংহতি শিবিৰত প্ৰশিক্ষন লোৱা হয়।

১৯৭৯ চনৰ পৰাই মোৰ নেতৃত্বত কামপুৰ

মহাবিদ্যালয়ত এন.এছ.এছ.ৰ এদিনীয়া আৰু দহদিনীয়া শিবিৰ অনুষ্ঠিত কৰা হয়। এন.এছ.এছ.ৰ কামসমূহ দুটা ভাগত বিভক্ত। দৈনন্দিন (Normal) আৰু বিশেষ শিবিৰ (Special Camp) এন.এছ.এছত নিয়ম অনুযায়ী প্ৰতিজ্ঞাৰাকী ভলন্টিয়াৰে এবছৰত ১২০ ঘন্টা সমাজ সেৱা কৰিব লাগে আৰু ২ বছৰত ২৪০ ঘন্টা বিভিন্ন আঁচনিৰ দ্বাৰা কাম কৰিব লাগে। বিশেষ শিবিৰৰ কাম সুকীয়া। এন.এছ.এছ.ৰ স্বেচ্ছাসেৱকসকলে কিছু কৰ্তব্য পালন কৰিব লাগে।

(ক) প্ৰথম যি ঠাইত যি যি আঁচনি কাম হ'ব সেই ঠাইলৈ গৈ তাৰ জনসাধাৰণৰ লগত সম্পৰ্ক স্থাপন কৰিব লাগিব,

(খ) সেই ঠাইৰ জনসাধাৰণৰ প্ৰয়োজন, সমস্যা আৰু সমাধানৰ উপায়সমূহ চিহ্নিত কৰিব লাগিব,

(গ) কৰ্ম আঁচনিৰ নক্সা প্ৰস্তুত কৰি তাক বাস্তবায়িত কৰা,

(ঘ) শিক্ষা আৰু অভিজ্ঞতাৰ দ্বাৰা সমস্যাৰ সমাধান সূত্ৰ উলিয়াই সমস্যাসমূহ সমাধান কৰা,

(ঙ) বাস্তবায়িত কৰা আঁচনিসমূহ প্ৰণালীবদ্ধভাৱে ডায়েৰীত অন্তৰ্গত কৰা আৰু প্ৰতি ১৫ দিনৰ মূৰে মূৰে সেইবোৰৰ মূল্যাংকন কৰি প্ৰয়োজন সাপেক্ষে সংশোধন কৰা ইত্যাদি।

কামপুৰ মহাবিদ্যালয়ত যথা ৰীতি অনুযায়ী এন.এছ.এছ.ত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি কৰোৱা হয়। আৰম্ভনিৰ পৰা ছাত্ৰ-ছাত্ৰীক উৎসাহজনক সহযোগ দেখি আৰু বিভিন্ন আঁচনি পৰিকল্পনা অনুযায়ী ৰূপায়ন কৰাত গুৱাহাটী বিশ্ববিদ্যালয়ত এন.এছ.এছ.ৰ সমন্বয়ক গৰাকীয়ে কামপুৰ মহাবিদ্যালয়ত দ্বিতীয় এটা NSS Unit দিবলৈ অনুমতি প্ৰদান কৰে। দ্বিতীয় ইউনিটটোৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক, সেই সময়ত প্ৰশাসনীয় সমিতিৰ সম্পাদক আৰু বৰ্তমানৰ প্ৰশাসনীয় সমিতিৰ সভাপতি সভাৰাম মজুমদাৰে অনুশীলন শিবিৰৰ দ্বাৰা প্ৰশিক্ষণ প্ৰাপ্ত হয়। কিন্তু গুৱাহাটী বিশ্ব বিদ্যালয়ৰ সেই সময়ত ঘটা নানান টা বিত্তীয় খেলি-মেলিৰ বাবে দ্বিতীয়টো ইউনিটৰ বাবে কোনো বিত্তীয় সাহাৰ্য প্ৰদান নকৰাত ইউনিটটোত কাম-কাজ আৰম্ভ নহ'ল।

কামপুৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনাক অধীনৰ দৈনন্দিন কাম-কাজ আৰু বিশেষ শিবিৰৰ ভিন্ন সমাজ কল্যান কামৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল। ১৯৭৯ চনত প্ৰথম দৈনন্দিন কামেৰে আঁচনিৰ শুভাৰম্ভ কৰা হয়। সেই সময়ত কামপুৰ কলেজখন চৰকাৰী ঘাটী মঞ্জুৰী প্ৰাপ্ত হোৱা নাছিল আৰু কলেজ চৌহদত নাছিল পকীবেৰ। এন.এছ.এছ. ভলন্টিয়াৰ সকলে ওচৰৰ গাওঁ সমূহৰ পৰা সংগ্ৰহ কৰি অনা বাঁহেৰে কলেজ চৌহদত বেৰ দিয়া হয়। লগে লগে কলেজ চৌহদত বৃক্ষৰোপন কাৰ্যসূচী ৰূপায়ন কৰা হয়। নৰ্মেল কেন্দ্ৰবিলাক সাধাৰণতে কলেজত আৰম্ভ কৰি ওচৰে-পাজৰে থকা প্ৰাথমিক বিদ্যালয়সমূহ পৰিস্কাৰ কৰা, বেৰ লেপা আৰু যাতায়াতৰ পথ মেৰামতি কৰি সুচল কৰা আৰু বৃক্ষৰোপন কাৰ্য্যসূচী গ্ৰহন কৰা হয়। চৌহদৰ চাৰিওফালে বাঁহৰ বেৰ ইত্যাদি দিয়াৰ ব্যৱস্থা কৰা হয়। এনে কাৰ্য আদৰ্শ এল.পি. স্কুল ডেকাপতীয়া এল.পি. স্কুল বাৰেগোগা আৰু চৰাইহাগী প্ৰাথমিক বিদ্যালয়ত সম্পন্ন কৰা হয়।

এন.এছ.এছ.ৰ দৈনন্দিন কামকাজত কৈ বিশেষ শিবিৰৰ প্ৰতি ভলন্টিয়াৰ সকল বেছি আগ্ৰহী হোৱাত আমাৰ কাৰ্যকালত প্ৰায় দহটা মান বিশেষ শিবিৰৰ আয়োজন কৰা হয়। বিশেষ শিবিৰবোৰ দহদিনীয়া আৰু স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকলে দহদিন শিবিৰত থকাৰ নিয়ম। নৰ্মেল শিবিৰসমূহ পুৱা ৯ বজাৰ পৰা আৰম্ভ হৈ বিয়লি ৪ বজাত সামৰণি পৰে আৰু দিনটোৰ বাবে ভলন্টিয়াৰ সকলক লঘু আহাৰ পৰিবেশন কৰা হয়। তাৰ বিপৰীতে বিশেষ শিবিৰ সমূহ পুৱা ৫ বজাৰ পৰা আৰম্ভ হয় আৰু প্ৰতিনিশা সাংস্কৃতিক অনুষ্ঠানৰ পিছত আহাৰ গ্ৰহণ কৰি ১০ বজাত সামৰণি পৰে। প্ৰতিদিনে বিয়লি আলোচনা চক্ৰ আৰু খেল-ধেমালী অনুষ্ঠিত হয়। এনে বিশেষ শিবিৰ প্ৰথমটো ১৯৭৯ চনত কামপুৰ মহাবিদ্যালয় অনুষ্ঠিত কৰি শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বাবে ৩৫ ফুট দৈৰ্ঘ্যৰ আৰু ১৪ ফুট বহল জিৰণি ঘৰ এন.এছ.এছ. ভলন্টিয়াৰ সকলে বাহ আৰু খেৰেৰে নিৰ্মাণ কৰে। অধ্যাপক মুহি উদিন আহমেদৰ ঘৰ নিমাৰ্ণৰ দক্ষতাই সকলো ভলন্টিয়াৰকে উৎসাহিত কৰে। এই শিবিৰত অধ্যাপক সভাৰাম মজুমদাৰ, অধ্যাপক হেমচন্দ্ৰ লস্কৰ আৰু অধ্যাপক পদ্মেশ্বৰ শইকীয়াই সহযোগ কৰি আমাক উৎসাহিত কৰে। কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, এন.এছ.এছ.ৰ সহায়ক বি.চি. দাসে অংশ গ্ৰহণ কৰে। নগাওঁ লায়ন্স ক্লাৱৰ সহযোগত এই শিবিৰতে বিনামূলীয়া চিকিৎসা

শিবিৰো অনুষ্ঠিত কৰা হয়। নিশাৰ ভাগত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানে (এন.এছ.এছ. ভলন্টিয়াৰৰ দ্বাৰা) প্ৰতিযোগী সকলোকে আনন্দ প্ৰদান কৰে। ১৯৮০ চনত তেতেলিসৰা গ্ৰান্টত বিশেষ শিবিৰ অনুষ্ঠিত কৰি গাওঁখনৰ স্বাস্থ্য ৰক্ষা, পৰিস্কাৰ পৰিচ্ছন্নতাৰ ওপৰত দিয়া হয় আৰু লগতে বিনামূলীয়াকৈ প্ৰসূতি মাতৃসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। গাওঁখনৰ ৰাজহুৱা ডাঙৰ কুৰাটোৰ চৌপাশে থকা বোঁকা চাফা কৰি নতুন, মাটি ভৰোৱা হয়। আমাৰ লগত তেতেলি সৰা গ্ৰান্টৰ ডেকা-গাভৰুৱে গৰু গাড়ীলৈ মাটি কঢ়িয়াই পূৰ্ণ সহযোগ আগবঢ়ায়। উল্লেখনীয় যে সেই শিবিৰৰ ভলন্টিয়াৰ সকলে শান্তি বিদ্যাপীঠ হাইস্কুলৰ ৬০ ফুট দৈৰ্ঘ্য আৰু ১৬ ফুট বহল নিৰ্ণীয়মান গৃহটোৰ ভেটিত মাটি ভৰাই সম্পূৰ্ণ কৰে। ১৯৯০ চনত কলাইখোৱা পামত ৪৫ গৰাকী ভলন্টিয়াৰ আৰু ৫ গৰাকী স্থানীয় যুৱকক্টল বানপাণীয়ে খহাই পেলোৱা কামপুৰ, বৰকোলা গড়কাপ্তানী বিভাগৰ পথটো পুণৰ নিৰ্মাণ কৰাত সহায় কৰিবলৈ বিশেষ শিবিৰ অনুষ্ঠিত কৰা হয়। পৰৱৰ্ত্তী সময়ত কামপুৰ কলেজত বিশেষ শিবিৰ অনুষ্ঠিত কৰি কপিলী নদীয়ে খহাই পেলোৱা বাৰেগোগাৰ পৰা নিজ নাৰিকলিলৈ যোৱা পথটো পুণৰ নিৰ্মাণ কৰা হয়। ইয়াৰ মাজতে বুটিকোৰা-বন্দুৱাত বিশেষ শিবিৰ অনুষ্ঠিত কৰি বুটিকোৰা প্ৰাইমাৰী বিদ্যালয়ত বানে বিধস্ত কৰাত ভেটি তুলি চৌপাশে দি মাটিলেপি চুণ সানি সম্পূৰ্ণ কৰা হয়। এই শিবিৰত স্থানীয় ৰাইজৰ সহায় সহযোগ প্ৰসংশনীয় আছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এন.এছ.এছ. বিভাগে প্ৰতিবছৰে বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বিভিন্ন কলেজৰ গোট সমূহক লৈ নিৰ্বাচিত এখন কলেজত বছৰেকীয়া প্ৰশিক্ষন শিবিৰ অনুষ্ঠিত কৰে। আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহন কৰা এনে শিবিৰ সমূহ হ'ল - মঙ্গলদৈ মহাবিদ্যালয়, উত্তৰ গুৱাহাটী মহাবিদ্যালয়, ছয়গাও মহাবিদ্যালয় আৰু গোৱালপাৰা মহাবিদ্যালয়। এনে শিবিৰত আমাৰ কলেজৰ এন.এছ.এছ.ৰ ভলন্টিয়াৰ সকলে অংশগ্ৰহন কৰি শিষ্টাচাৰ আৰু নিয়ম-নীতি পালন আৰু সাংস্কৃতিক অনুষ্ঠানত সুনাম অৰ্জন কৰে।

ৰাষ্ট্ৰীয় সেৱা যোজনাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহাৰ্যত ৰাষ্ট্ৰীয় সংহতি শিবিৰ অনুষ্ঠিত হয়। সৌভাগ্যৰ কথা যে এনে সংহতি শিবিৰত গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা অসমৰ বিভিন্ন কলেজৰ নিৰ্বাচিত এন.এছ.এছ. ভলন্টিয়াৰকলৈ তত্ত্বাৱধায়ক হিচাপে মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু পাটনালৈ যাব লগা হৈছিল। এনে শিবিৰ অসমৰ কটন কলেজ, ছয়গাওঁ কলেজ আৰু মৰিগাওঁ কলেজত অনুষ্ঠিত হৈছিল। এনে শিবিৰত কামপুৰ মহাবিদ্যালয়ৰ এন.এছ.এছ. গোটে অংশ গ্ৰহনৰ সুযোগ লাভ কৰা সকলৰ ভিতৰত প্ৰবীন বৰা, বিনয় কলিতা, ৰিংকু শৰ্মা, ফইজুল হুছেইন, চিনু ভূঞা আৰু কল্পনা বৰাৰ নাম উল্লেখ কৰিব পাৰি।

নৰ্মেল আৰু বিশেষ শিবিৰ পৰিচালনা কৰা কাৰ্য সহজ সাধ্য নাছিল। প্ৰগ্ৰেম অফিচাৰৰ সহনশীলতা, আঁচনি পৰিকল্পনা আৰু প্ৰয়োগত ধৈৰ্য্যৰ প্ৰয়োজন অধিক। তাৰোপৰি প্ৰগ্ৰেম অফিচাৰ ৰসিক, সংস্কৃতি পৰায়ন হোৱাৰ উপৰিও নেতৃত্ব দিব পৰা গুণৰ অধিকাৰী হোৱাটো আৱশ্যক। যিকি নহওঁক ২০০৪ চনৰ পৰা কামপুৰ মহাবিদ্যালয়ৰ এন.এছ.এছ.ৰ দায়িত্ব ভাৰ অধ্যক্ষক অৰ্পণ কৰি ২০০৯ চনৰ পহিলা জুলাইত অৱসৰ গ্ৰহন কৰোঁ।

আমাৰ কাৰ্যকালত হোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ। দৃঢ়তাৰে কওঁ যে মোৰ কাৰ্যকালত এন.এছ.এছত অংশ গ্ৰহণ কৰা ভলন্টিয়াৰ সকলে নিশ্চয় মোক পাহৰি নাযায়। দুখ লাগে অকালতে মৰহি যোৱা গমন বৰাৰ কথা মনত পৰিলে। তেওঁ স্বৰ্গত শান্তিৰে থাকক এয়ে কামনা। আমাৰ কাৰ্যকালত প্ৰতিষ্ঠাপক অধ্যক্ষ কৃষ্ণানন্দ শৰ্মা বৰুৱা প্ৰতিষ্ঠাপক ˚ তৰুন শইকীয়া, অধ্যাপক ˚ হেমচন্দ্ৰ লস্কৰ, অধ্যাপক মুহিউদ্দিন আহমেদ, অধ্যাপক পদুম শইকীয়া, অধ্যাপক তফাজ্জুল হুছেইন আৰু ভাতৃ প্ৰতীম অধ্যাপক প্ৰদীপ লস্কৰৰ সহায় সহযোগীতাৰ শলাগ নলৈ নোৱাৰিছিলো। নৰ্মেল আৰু বিশেষ শিবিৰত অংশ গ্ৰহণ কৰা সকলো ভলন্টিয়াৰ বিশেষকৈ নলিনী, মুক্তি, গোপী আদিলৈ চেৰেং চেৰেংকৈ মনত পৰে।

জয়তু কামপুৰ কলেজ ! জয়তু এন.এছ.এছ. ইউনিট।

*****

# কামপুৰ কছাৰীপাৰৰ ডিমাচা কছাৰী সকল - এক আলোকপাত

শ্ৰী প্ৰদীপ লস্কৰ, সহ অধ্যাপক
ভুগোল বিভাগ, কামপুৰ মহাবিদ্যালয়

বিশ্বৰ বিভিন্ন প্ৰান্তত অদ্যপি জাতিগঠন প্ৰক্ৰিয়া অব্যাহত থকা দেখা যায়। সময়ৰ অগ্ৰগতিৰ লগে লগে পৰিবৰ্তিত ৰাজনৈতিক দৃশ্যপট, আৰ্থ-সামাজিক পৰিৱৰ্তনে কোনো কোনো জনগোষ্ঠীৰ স্বকীয়তা তথা সংবিধানিক অধিকাৰৰ দাবীয়ে ভৱিষ্যতে হ'বপৰা ক্ষয়-ক্ষতিৰ বিষয়ে সন্দেহ কৰাতো স্বাভাৱিক ? সেয়ে হয়তো বৰ্তমানেও জাতি গঠন প্ৰক্ৰিয়াটো ত্বৰান্বিত হোৱাটো পৰিলক্ষিত হয়।

আগৰ অসম মুলুকৰ আদিবাসীৰূপে বড়ো জনগোষ্ঠীৰ কছাৰী সকলহে আছিল। ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে আহোম সকলৰ আগমণৰ আগতেই সমগ্ৰ অসমজুৰি কছাৰীসকলে ৰাজত্ব কৰিছিল। কিন্তু আহোম সকলৰ আগ্ৰাসনৰ বাবে লাহে লাহে কছাৰীসকল বহুধা বিভক্ত হৈ অসমৰ কেউফালে সিঁচৰিত হৈ পৰে যদিও ইতিহাসে ৰিঙিয়াই কয় অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত আৰু অসমীয়া ভাষা-সংস্কৃতি বিকাশত কছাৰীসকলৰ অৱদান উল্লেখযোগ্য।

কছাৰী সকলৰ বৰাহী বংশৰ ৰজা মহামানিক্যই প্ৰাকশংকৰী যুগত বাল্মিকীৰ সংস্কৃত ভাষাৰ সপ্তকাণ্ড ৰামায়ণ গ্ৰন্থ মাধৱ কন্দলিৰ দ্বাৰা অসমীয়া ভাষালৈ অনুবাদ কৰাই অসমীয়া ভাষাটো চহকী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ৰজা মহামাণিক্যই কছাৰীৰ কথিত ভাষালৈ ৰামায়ণ খনি অনুবাদ নকৰাই অসমীয়া ভাষালৈ অনুবাদ কৰাটোৱেই জানো প্ৰমাণ নকৰে কছাৰীৰজা মহামানিক্য এজন প্ৰকৃত অসম হিতৈষী পুৰুষ।

অসমীয়া ভাষা-সংস্কৃতিত তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ আন্দোলনত সোতৰ শতিকাৰ শেষ ফালে কছাৰী ৰজা কৃষ্ণচন্দ্ৰ নাৰায়ণৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল। আহোম ৰাজাৰ লগত কিছু কথাত মতানৈক্য হৈ দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ মহোদয় বিষ্ণুদেৱ গোস্বামী কলিয়াবৰত বাঁহৰ পতা শুনি কছাৰী ৰজা কৃষ্ণচন্দ্ৰ নাৰায়ণে সাক্ষাত কৰে আৰু বৈষ্ণৱ ধৰ্মত শৰণ লৈ কলং-কপিলী কছাৰী পাৰৰ সমূহ কছাৰী প্ৰজাক উক্ত দক্ষিণপটীয়া গোঁসাইত শৰণৰ আদেশ দিয়ে। ফলত বালিগাঁও, বৰবহা, পেটবহা, দক্ষিণপাট, বৰকলা, বৃহত্তৰ কামপুৰ এলেকাৰ কছাৰী প্ৰজাই নৱবৈষ্ণৱ ধৰ্মত শৰণ লৈ–"ন ভকতীয়া" হৈ পৰে। ৰজাই কলং নৈৰ দক্ষিণপাৰে দক্ষিণপাটত ছশ বিঘা মাটি গোসাঁইক দান দি অসমৰ একমাত্ৰ কছাৰী সত্ৰ "দক্ষিণপাট কছাৰী সত্ৰ" স্থাপন কৰোৱাই। ইয়াৰোপৰি কছাৰী পাৰৰ কছাৰী প্ৰজা সকলৰ সুবিধাৰ্থে কামপুৰৰ দক্ষিণ ভকত গাঁৱত দক্ষিণপাট সত্ৰৰ এখনি খণ্ডও প্ৰতিষ্ঠা কৰায়।

ইতিহাস প্ৰসিদ্ধ এই মহৎ কছাৰী জাতিটো বিভিন্ন ৰাজনৈতিক উত্থান পতনত বৰ্তমান বহুধা বিভক্ত হৈ অসমৰ বিভিন্ন এলেকাত সিচঁৰিত হৈ পৰিছে। ফলত ডিমাছা সকলক একত্ৰিত কৰি এক বৃহৎ জনগোষ্ঠীয় চিন্তা-চৰ্চা ত্বৰান্বিত কৰিবলৈ সদৌ ডিমাছা ছাত্ৰসন্থা, ডিমাছা পিপুলচ কাউন্সিল, ডিমাছা বিভিন্ন জাতীয় পৰিষদ আৰু ডিমাছা হালাম ডাঁওগাই অসমজুৰি এক জাগ্ৰত আঁচনি গ্ৰহণ কৰি সিঁচৰিত হৈ থকা ডিমাছা সকলক একত্ৰিত কৰি এক বৃহৎ জাতিগঠন প্ৰক্ৰিয়া আৰম্ভ কৰে। এই আন্দোলনৰ পটভূমিতেই কলং কপিলি কছাৰী পাৰৰ কছাৰী মূলীয় লোকসকলক লৈ জাতীয় অভিৱৰ্তনৰ যোগেৰে যোৱা ২০০৮ চনৰ পৰাই কলং-কপিলী কছাৰী পাৰৰ কাছাৰী মূলৰ লোকসকলৰ মাজত এক জাগৰণৰ সৃষ্টি কৰে। কামপুৰ কছাৰী পাৰৰ কছাৰীমূলৰ লোক সকলে আজি নিজকে ডিমাছা কছাৰী হিচাবে চিনাকী দিয়ে। ডিমাছা জাতীয় সংগঠন সমূহে কলং-কপিলি কছাৰী পাৰৰ কছাৰীমূলীয় লোক সকলক নিজৰে বংশোদ্ভৱ হিচাপে স্বীকৃতি দিয়াৰ উপৰিও বৰ্তমান 'সদৌ অসম ট্ৰাইবেল সংঘ'ই কামপুৰ-বৰকলা-দক্ষিণপাট অঞ্চলৰ কছাৰী মূলৰ লোকসকল "ডিমাছা-কছাৰী জনজাতি" হিচাবে স্বীকৃতি প্ৰদান কৰাতো উল্লেখনীয় দিশ।

কছাৰী ৰজা তুলাৰাম সেনাপতিৰ পৰিণাতি ধৰ্মেশ্বৰ কোঁৱৰ হাস্নুচাৰ গাওঁ নিজকামপুৰত "ঁগকুল হাগজেৰ সোৱৰণী ডিমাছা সাহিত্য-সংস্কৃতিক বিদ্যালয়"ৰ জৰিয়তে বৰ্তমান প্ৰজন্মক নিজভাষা আৰু কৃষ্টি-সংস্কৃতিৰ লগত চিনাকী কৰি নিজৰ জাতীয় চেতনা প্ৰসাৰৰ প্ৰয়াস কৰিলেও এই কছাৰী মূলৰ লোকসকল ভাল অসমীয়া ডিমাছা বুলি পৰিচয় দিলেই অসমীয়াত্ব ত্যাগ কৰা নুবুজায় কাৰণ বীৰ ডেমালু কেম্প্ৰাই, ৰজা তোলাৰাম সেনাপতি, ৰজা কৃষ্ণচন্দ্ৰ নাৰায়ণক বাদ দি অসম বুৰঞ্জী সম্পূৰ্ণ হ'ব নোৱাৰে।

*****

# কামপুৰৰ আৰ্থসামাজিক দিশ—এক চমু অৱলোকন

শ্ৰী পদ্মেশ্বৰ শইকীয়া
অৱসৰপ্ৰাপ্ত বিভাগীয় মুৰব্বী, অৰ্থনীতিবিভাগ
কামপুৰ মহাবিদ্যালয়

নগাঁও জিলা সদৰৰ পৰা প্ৰায় ৩২ কিঃমিঃ দক্ষিণে অৱস্থিত প্ৰায় ১৪০ পৰা ১৪৫ খন সৰু বৰ ৰাজহ গাঁও সামৰি থকা এটা বৃহৎ অঞ্চলেই হৈছে বৃহত্তৰ কামপুৰ অঞ্চল। পূবে কঠিয়াতলি, ৰেংবেঙকে ধৰি সৰু বৰ বহু গাঁও আৰু পশ্চিমে বাহাকাবাৰী, কুৰৰিআটি, দৰঙ্গিয়াল গাঁও, আটি কামপুৰকে আদি কৰি প্ৰায় ৩০ খন আৰু দক্ষিণে বৰপানী বাগানকে মূল কৰি বকুলগুৰি, গাৰোখুণ্ডা, চাংচকী (উত্তৰ আৰু দক্ষিণ), জৰাবাৰী, বন্দুৰা আদি কৰি প্ৰায় ১০০ মান গাঁও সামৰিয়েই বৃহৎ কামপুৰ অঞ্চল গঠিত। কামপুৰ অঞ্চলত মুছলমান আৰু হিন্দু ধৰ্মৰ বিভিন্ন সম্ৰদায়ৰ লোকে বাস কৰে। যদিও কামপুৰ বৃষ্টিছায়া অঞ্চল তথাপি কামপুৰ অঞ্চলৰ মাজেৰে প্ৰৱাহিত তিনিখন নদী কপিলী, হাৰিয়া (নিশাৰী) আৰু বৰাপানীৰ উপস্থিতিয়ে বাৰিষাকালত প্ৰায়ে এই অঞ্চল প্লাৱিত কৰি ৰাইজক জলা-কলা কৰে। কৃষি প্ৰধান কামপুৰ অঞ্চলত বিভিন্ন ধৰণৰ কৃষিজাত সামগ্ৰীৰ খেতি কৰা হয় যদিও বানপানী অথবা খৰাঙৰ বাবে কৃষকে বিচৰা ধৰণে উৎপাদন লাভ নকৰে।

কামপুৰ অঞ্চলত বিভিন্ন জাতি উপজাতি বিশেষকৈ অসমীয়া, বঙালী, অসমীয়া মুছলমান, চিলেটীয়া মুছলমান, বিহাৰী, চাহ জনগোষ্ঠীয় লোক, তিৱা, কাৰ্বি আদি লোকৰ বসতি স্থল। এই লোকসকলৰ ঘাই জীৱিকা হৈছে কৃষি। ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, মৰাপাট, তিল, বিভিন্ন ধৰণৰ শাক পাচলি যেনে বন্ধাকবি, ফুলকবি, বিলাহী, ৰঙালাউ, কোমোৰা, আদা, হালধি, বেঙেনা, কচু আদি উৎপাদন কৰি দৈনন্দিন জীৱন নিৰ্ব্বহ কৰাৰ লগতে কামপুৰৰ অৰ্থনীতিতো বিশেষ অৰিহণা যোগাই আহিছে। ইয়াৰ উপৰিও গো-পালক, মীণপালক, গাহৰি পালক, কুকুৰা পালক সকলে নিজে স্বাৱলম্বী হোৱাৰ লগতে অৰ্থনীতিলৈও যথেষ্ট অৱদান আগবঢ়াই আহিছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় এই যে প্ৰকৃতিৰ খাম-খেয়ালি অৱস্থাতো অৰ্থাৎ খৰাং বা অতি বৃষ্টিৰ ফলত হোৱা বানে ধুই নিয়াৰ পিছত উৎপাদনৰ অৱশিষ্ট যি অলপ ৰক্ষা পৰে তাকো তেওঁলোকে দালাল শ্ৰেণী বা লাভখোৰ শ্ৰেণীৰ লোকৰ হাতত অতি কম মূল্যত বিক্ৰী কৰিবলৈ বাধ্য হয়। অতি বেয়া ৰাস্তাঘাট আৰু উন্নত পৰিবহন ব্যৱস্থাৰ অভাৱতে কামপুৰৰ বিখ্যাত সাপ্তাহিক বজাৰ (শুকুৰবাৰ), কঠিয়াতলি বা চাৰি আলি বজাৰ(বুধবাৰ), কচুৱা বজাৰ আৰু তিনি আলি বজাৰ থকা সত্বেও কৃষক সকলে নিজৰ উৎপাদিত সামগ্ৰীসমূহ নিজে বিক্ৰী কৰাৰ পৰিবৰ্তে এই দালাল শ্ৰেণীৰ লোকৰ হাতত বেচিবৰ বাবে বাধ্য হয়। গতিকে উৎপাদিত সামগ্ৰীসমূহ ৰাখিবৰ বাবে স্থায়ী ভড়াল ব্যৱস্থা আৰু এই সামগ্ৰীসমূহ যদি উচিত মূল্যত বেচাৰ সুবন্দোৱস্ত চৰকাৰে যদি কৰে তেনেহ'লে কামপুৰৰ আৰ্থসামাজিক দিশ চকুত লগা ধৰণে উন্নত হ'ব। কামপুৰ অঞ্চলৰ আৰ্থসামাজিক দিশ উন্নত কৰিবলৈ হ'লে প্ৰথমেই এই অঞ্চলৰ যোগাযোগ ব্যৱস্থা উন্নত কৰিব লাগিব। দক্ষিণ নগাঁওৰ বিভিন্ন ঠাই তথা কাৰ্বি আংলংৰ লগত যোগাযোগৰ কেন্দ্ৰবিন্দু কামপুৰ কেইবাটাও গড়কাপ্তানি পথৰ সংযোগ স্থল। সেই কেইটা হৈছে নগাঁও-কঠিয়াতলী-কামপুৰ পথ, কামপুৰ-চাপৰমুখ-ৰহা পথ, কামপুৰ-বৈঠালাংছ পথ, কামপুৰ-যমুনামুখ পথ, কামপুৰ-দক্ষিণপাট-নগাওঁ পথ। এই পথসমূহ আজিৰ দিনতো ইমানেই বেয়া যে পথৰ (পথ কেইটা) মাজত প্ৰকাণ্ড প্ৰকাণ্ড গাতৰ সৃষ্টি হৈছে। যাৰ ফলত এই অঞ্চলটি ৰাজ্যৰ আন ঠাইৰ লগত বিশেষকৈ বাৰিষাকালত প্ৰায়েই সম্পৰ্ক নোহোৱা হৈ থাকে। কেৱল ৰেলপথেৰেহে অসম তথা ভাৰতৰ বিভিন্ন অঞ্চললৈ বস্তুসামগ্ৰী বা মানুহে অতি সহজে আহ যাহ কৰিব পাৰে যদিও সকলোবোৰ ৰেল ইয়াত ৰখোৱা নহয়।

সেয়েহে চৰকাৰে এই অঞ্চলৰ সকলো পথৰ যদি উন্নতি সাধন কৰে তেন্তে এই অঞ্চলৰ কৃষক, বনুৱা সকলে সুফল লাভ কৰিবলৈ সক্ষম হ'লহেতেন। যি কি নহওঁক কামপুৰৰ কচুৱা, গেৰজাই পাম আদি অঞ্চলত গৃহ বয়ন উদ্যোগ স্থাপন কৰি এই ক্ষুদ্ৰ উদ্যোগীলোক সকলে নিজকে স্বাৱলম্বী কৰাৰ উপৰিও তেওঁলোকে উৎপাদিত বস্ত্ৰসামগ্ৰীসমূহ অসমৰ বিভিন্ন ঠাইলৈকে নহয় অসমৰ বাহিৰলৈও ৰপ্তানি কৰি কামপুৰৰ আৰ্থসামাজিক দিশত বহুমূলীয়া অৰিহণা যোগাই আহিছে। এই ক্ষুদ্ৰ উদ্যোগবোৰত বহু নিবনুৱা যুবক যুৱতীয়ে কৰ্মসংস্থাপনৰ সুবিধা লাভ কৰিছে। কামপুৰৰ বাবে সুখবৰ যে আত্মসহায়ৰ বাবে বহু নিবনুৱা যুবকে দুগ্ধ উন্নয়ন গোট স্থাপন কৰি গাঁৱে-ভুঁঞে বিশুদ্ধ গাখীৰ বিতৰণ কৰি তেওঁলোক নিজেও উপকৃত হৈছে আৰু ৰাইজক বিশুদ্ধ গাখীৰ যোগান ধৰিছে। চৰকাৰেও এই গোটসমূহক আৰ্থিক অনুদান আৰু অসমৰ বাহিৰত প্ৰশিক্ষণৰ ব্যৱস্থা কৰি এই প্ৰকল্পক সহায় কৰাৰ প্ৰয়োজন। মহিলা আত্মসহায়ক গোটবোৰে কামপুৰৰ আৰ্থসামাজিক দিশত যথেষ্ট প্ৰভাৱ পেলোৱা দেখা যায়। এই গোটবোৰে ঘৰুৱাভাৱে কাপোৰ বৈ, আচাৰ, জামজেলি, লাৰু পিঠা তৈয়াৰ কৰি, গাহৰি, হাঁহ কুকুৰা পালন কৰি আৰ্থিক ভাৱে স্বাৱলম্বী হৈছে। এই গোটবোৰ সৃষ্টি কৰি তেওঁলোকে বেংকৰ জৰিয়তে ঋণ লাভ কৰিছে আৰু বিভিন্ন উৎপাদন কাৰ্যত খটুৱাই স্বাৱলম্বী হোৱাৰ চেষ্টা কৰিছে। কামপুৰত অৱস্থিত ষ্টেট বেংক অফ ইণ্ডিয়া, ইউনাইটেড বেংক, চেন্ট্ৰেল বেংক, অসম গ্ৰামীণ বিকাশ বেংক সমূহে দুখীয়া কৃষকৰ পৰা আৰম্ভ কৰি যুব উদ্যোগী লোক বা বিভিন্ন বিভাগৰ কৰ্মচাৰী, নিবনুৱা লোকক প্ৰয়োজনীয় সাহায্য প্ৰদান কৰি অঞ্চলটোৰ অৰ্থনৈতিক উন্নতি সাধনত সহায়-সহযোগ কৰি আহিছে।

কঠোৰ পৰিশ্ৰমৰ বাবেই ধান উৎপাদনত (বিশেষকৈ বৰোধান) কামপুৰৰ কৃষকসকল যথেষ্ট স্বাৱলম্বী। কামপুৰ অঞ্চলৰ পৰা বহু পৰিমাণে ধান, মৰাপাট ৰাজ্যৰ বিভিন্ন অঞ্চললৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। মিঠৈৰ টিন, তামোল, নাৰিকল আদিও এই অঞ্চলৰ পৰা বেলেগ বেলেগ ঠাইলৈ পঠোৱা হয়। সেইদৰে মাছ উৎপাদনতো এই অঞ্চলটি অতি আগবঢ়া। কামপুৰৰ পৰা হোজাই, লংকা, লামডিং, ডিমাপুৰ, গুৱাহাটী আদি কৰি বিভিন্ন অঞ্চললৈ মাছৰ যোগান ধৰি ব্যৱসায়ীসকল যথেষ্ট উপকৃত হৈছে। মুঠতে কবলৈ গলে কামপুৰ অঞ্চলটি নগাঁও জিলাৰ ভিতৰতেই এটা উন্নত অঞ্চল। বৰ্ত্তমান সময়তো এই অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজৰ জনমুৰি আয় অন্যঠাইৰ তুলনাত যথেষ্ট বেছি। কামপুৰ অঞ্চলৰ জনসাধাৰণৰ ভোগ প্ৰৱণতা, সঞ্চয় প্ৰৱণতা তথা ক্ৰয় ক্ষমতা যথেষ্ট বেছি। বৰ্ত্তমান যিবোৰ আঁচনি চৰকাৰী ভাবে ৰূপায়ন কৰি আহিছে সেইবোৰ যদি এই বৃহৎ অঞ্চলটিত সফলভাবে ৰূপায়ন কৰে তেন্তে এই অঞ্চলটি এদিন চহকী অঞ্চলৰূপে চিহ্নিত হ'ব।

এটা অঞ্চলে কেৱল অৰ্থনৈতিক উন্নতিৰে উন্নত অঞ্চল বুলি দাবী কৰিব নোৱাৰে যদি সেই অঞ্চলৰ সামাজিক উন্নতি নাথাকে। সমাজ এখনৰ উন্নতি তেতিয়াহে হয়, যেতিয়া সেই সমাজত শিক্ষিতৰ হাৰ বেছি হয়। কামপুৰ ৰাজহ চক্ৰৰ এই বৃহৎ অঞ্চলত ৪ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৩০ খন হাই স্কুল, ২ খন মহাবিদ্যালয়, ৩ খন কনিষ্ঠ মহাবিদ্যালয়, ২ খন ইংৰাজী মাধ্যমৰ বিদ্যালয় আৰু বহু সংখ্যক প্ৰাথমিক বিদ্যালয় আছে আৰু ইয়াৰ পৰা বহু হেজাৰ সংখ্যক শিক্ষিত লোক ওলাইছে। কিন্তু কাৰিকৰী, বাণিজ্য আৰু বিজ্ঞানৰ কোনো উচ্চ শিক্ষা লাভ কৰাৰ সুবিধা কামপুৰ অঞ্চলত আজিলৈকে গঢ়ি উঠা নাই। কামপুৰৰ সামাজিক উন্নতিৰ বাবে এই অনুষ্ঠানবোৰ গঢ়ি উঠাৰ খুবেই প্ৰয়োজন।

সমাজত মানুহক শাৰীৰিক ভাবে সুস্থ কৰি ৰাখিবলৈ প্ৰয়োজন চিকিৎসাৰ। কামপুৰ অঞ্চলত এখন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, দুখন গ্ৰাম্য, ৩০ খন বিচনাযুক্ত চিকিৎসালয় আছে আৰু কেইবাজনো চৰকাৰী চিকিৎসকৰ লগতে ব্যক্তিগত চিকিৎসকেও কামপুৰ অঞ্চলত চিকিৎসা সেৱা আগবঢ়াই আছে। চিকিৎসা সেৱাৰ লগতে কামপুৰ অঞ্চলৰ কিছু লোকক বিশেষকৈ যুব প্ৰজন্মক মানসিক উৎকৰ্ষ সাধন তথা যোগাভ্যাসৰ শিক্ষা দিয়াৰ প্ৰয়োজন হৈ পৰিছে। মদ, ভাং, কানি, ড্ৰাগছ, শিখৰ, গুটখা আদিৰ সেৱনৰ পৰা যাতে তেওঁলোক আঁতৰাই ৰাখিব পাৰি তাৰ বাবেই সেই শিক্ষাৰ প্ৰয়োজন। কাৰণ নিচাসক্ত মানুহ এখন সমাজৰ উন্নতিৰ অন্তৰায়।

প্ৰাচীন ঐতিহ্যৰে ঐশ্বৰ্যশালী কামপুৰ অঞ্চল ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক নানান উত্থান-পতনৰ মাজেৰে বৰ্ত্তমানৰ এই অৱস্থা পাইছেহি। চৰকাৰৰ সহায়-সহযোগ আৰু ৰাইজ তথা নৱ প্ৰজন্মৰ আগবাঢ়ি যোৱাৰ উদ্যমত কামপুৰ আকৌ ঐশ্বৰ্যশালী কামপুৰ ৰূপেৰে নতুন ৰূপত উজলি উঠক তাকেই আমি সকলোৱে কামনা কৰো।

*****

"শিশুৰ পুষ্টিহীনতা, শিশুৰ মৃত্যুৰ হাৰ আৰু পৰ্যাপ্ত কেলৰিযুক্ত খাদ্য খাবলৈ নোপোৱা লোকৰ সংখ্যা। প্ৰকাশিত সূচকৰ ভিত্তিত অসমৰ স্থান হৈছে পাঞ্জাব, কেৰালা আৰু হাৰিয়ানাৰ সৈতে 'ছিৰিয়াছ' গ্ৰুপত। আঁচৰিত কথা যে অসমত পুষ্টিহীনতাত ভোগা শিশুৰ হাৰ ছাহাৰাৰ সমীপৱৰ্তী আফ্ৰিকাৰ দৰিদ্ৰ দেশসমূহতকৈও নিম্ন পৰ্যায়ৰ। ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত মধ্যপ্ৰদেশৰ অৱস্থা অতি সংকটজনক।"

# খাদ্যৰ অধিকাৰ আৰু সুৰক্ষা

প্ৰাবিকা নেওগ
মুৰব্বী অধ্যাপিকা, অৰ্থনীতি বিভাগ,
কামপুৰ মহাবিদ্যালয়

খাদ্য সংকট আৰু পুষ্টিহীনতাৰ সমস্যাটোৱে বৰ্তমান সময়ত উন্নয়নশীল দেশবোৰত আটাইতকৈ জটিল সমস্যাৰূপে দেখা দিছে। কেৱল ভাৰতবৰ্ষ বা অসমতে নহয়, সমগ্ৰ বিশ্বজুৰি সাম্প্ৰতিক সময়ত জনসাধাৰণৰ খাদ্যৰ অধিকাৰ আৰু সুৰক্ষাৰ দিশত এক গভীৰ প্ৰত্যাহ্বান আহি পৰিছে। ২০১০ চনত প্ৰকাশিত 'গ্ল'বেল হাংগাৰ ইণ্ডেক্‌ছ ৰিপৰ্ট' (Global Hunger Index Report, 2010) অনুসৰি গোটেই বিশ্বতে যিমান কম ওজনৰ শিশু আছে, তাৰি বিয়াল্লিছ শতাংশ আছে ভাৰতত। এশ বাইছ খন উন্নয়নশীল দেশত আন্তৰ্জাতিক খাদ্যনীতি গৱেষণা প্ৰতিষ্ঠানে চলোৱা সমীক্ষাৰ পৰা জনা যায় যে বৰ্তমান পৃথিৱীত এক বিলিয়ন ভোকাতুৰ মানুহ আছে, তাৰে তিনিভাগৰ এভাগ আছে ভাৰতত। অতি বেছি ভোকাতুৰ অৰ্থাৎ পেট ভৰাই খাবলৈ নোপোৱা মানুহ থকা ৮৪ খন ৰাষ্ট্ৰৰ ভিতৰত ভাৰতৰ স্থান একেবাৰে তলৰ ফালে-- ৬৩ নম্বৰত। এই তথ্যসমূহে স্পষ্টকৈ দেখুৱাইছে যে ভাৰতৰ অৰ্থনীতি দেখাত সবল হ'লেও ই আমাৰ মৌলিক অন্ন-বস্ত্ৰ-বাসস্থানৰ সমস্যা সমাধানৰ দিশত বৰ লাহে লাহে আগবাঢ়িছে।

আমাৰ দেশ তথা ৰাজ্যখনো যে ক্ষুধাৰ কবলত পৰিছে সেইটো অলপতে প্ৰকাশিত আন্তৰ্জাতিক খাদ্য আঁচনি গৱেষণা প্ৰতিষ্ঠানে (International Food Policy Research Institute) জাৰ্মন এগ্ৰ' একশ্যন আৰু কেলিফ'ৰ্নিয়া বিশ্ব বিদ্যালয়ৰ সহযোগত যুগুত কৰা প্ৰতিবেদনত ভাৰতৰ ৰাজ্যসমূহৰ ক্ষুধা সূচকাংক (India State Hunger Index) প্ৰকাশ কৰিছে। ভাৰতৰ ১৭ খন ৰাজ্যত জৰীপ চলাই এই সূচকাংক যুগুতাই উলিওৱা হৈছে। এই সূচক গঠন কৰোতে মূলতঃ বিবেচিত হোৱা কাৰকবোৰ হ'ল-- শিশুৰ পুষ্টিহীনতা, শিশুৰ মৃত্যুৰ হাৰ আৰু পৰ্যাপ্ত কেলৰিযুক্ত খাদ্য খাবলৈ নোপোৱা লোকৰ সংখ্যা। প্ৰকাশিত সূচকৰ ভিত্তিত অসমৰ স্থান হৈছে পাঞ্জাব, কেৰালা আৰু হাৰিয়ানাৰ সৈতে 'ছিৰিয়াছ' গ্ৰুপত।

আঁচৰিত কথা যে অসমত পুষ্টিহীনতাত ভোগা শিশুৰ হাৰ ছাহাৰাৰ সমীপৱৰ্তী আফ্ৰিকাৰ দৰিদ্ৰ দেশসমূহতকৈও নিম্ন পৰ্যায়ৰ। ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত মধ্যপ্ৰদেশৰ অৱস্থা অতি সংকটজনক। মধ্যপ্ৰদেশৰ ক্ষুধা সূচকাংক ইথিঅ'পিয়াৰ দৰে ক্ষুধাজৰ্জৰ দেশৰ সমপৰ্যায়ৰ। দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ ভিতৰত বাংলাদেশৰ বাহিৰে আটাইকেইখন দেশেই ভাৰততকৈ ওপৰত স্থান পাইছে। উল্লেখযোগ্য যে এই সূচকাংকৰ মূল মাপক শিশুৰ মৃত্যুৰ হাৰ আৰু কম ওজনৰ শিশুৰ জন্মৰ ক্ষেত্ৰত ভাৰতৰ স্থান হ'ল বাংলাদেশৰ তলত।

দেশৰ দৰিদ্ৰতা নিৰ্মূল আৰু ক্ষুধাৰ বিৰুদ্ধে জুগুত কৰা চৰকাৰী জনমুখী আঁচনিবোৰ সফল হ'ব নোৱৰাৰ মূল কাৰণ হ'ল প্ৰশাসনীয় সংস্কাৰ প্ৰক্ৰিয়াটোত দেখা দিয়া জঠৰতা আৰু প্ৰশাসনৰ সহ পৰ্বতসম দুৰ্নীতি। নৱজাতকৰ মৃত্যুৰ হাৰ বৃদ্ধিৰ অৰ্থ হ'ল দেশত প্ৰাথমিক স্বাস্থ্য সেৱাৰ ব্যৰ্থতা। ৰাজ্যৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহৰ উপৰি সমাজ কল্যাণ বিভাগৰ বিভিন্ন আঁচনিৰ জৰিয়তে ছয় বছৰৰ তলৰ শিশুৰ স্বাস্থ্য সুৰক্ষাৰ ব্যৱস্থা ৰাজ্যখনত প্ৰচলন হৈ আছে যদিও আন্তৰ্জাতিক প্ৰতিবেদনত প্ৰকাশিত এনে তথ্য উদ্বেগজনক।

ইউ.পি.এ চৰকাৰৰ প্ৰথম কালতে এখন উমৈহতীয়া কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। উক্ত উমৈহতীয়া কাৰ্যসূচীখনতেই খাদ্য সুৰক্ষাৰ বিষয়টো সন্নিৱিষ্ট কৰা হৈছিল। ইতিমধ্যে আগৰ চৰকাৰৰ দিনতেই থানবান হোৱা ৰাজহুৱা বিতৰণ ব্যৱস্থাটো পুণৰ শক্তিশালী কৰি খাদ্য সুৰক্ষাৰ আইন প্ৰণয়ন কৰি দেশৰ জনগনে খাদ্য সুৰক্ষা আঁচনিৰ হিতাধিকাৰীৰ নিৰ্বাচন কৰাৰ ক্ষেত্ৰত চৰকাৰে চৰজমিন জৰীপ কৰি প্ৰকৃত হিতাধিকাৰীৰ বাবে উপযোগী লোকৰ তালিকা প্ৰস্তুত কৰা প্ৰয়োজন।

প্ৰথম পৰ্যায়ত দেশৰ অন্য ভাগৰ লগতে অসমতো উপযুক্ত হিতাধিকাৰীজন যাতে আঁচনিৰ পৰা বাদ পৰি নাযায় তাৰ বাবে ৰাইজৰ মাজত সচেতনতা আনিব লাগিব। এক লাখ টকাৰ তলৰ উপাৰ্জনৰ শ্ৰমজীৱি লোক অসমৰ ক্ষেত্ৰত হিতাধিকাৰী হ'ব বুলি জনা গৈছে। যিহেতু অধিক সংখ্যক শ্ৰমজীৱি লোক অসংগঠিত খণ্ডৰ, এই উপাৰ্জনৰ প্ৰমাণপত্ৰ কাৰ দ্বাৰা অনুমোদিত হ'ব লাগিব, এই কথা অস্পষ্ট। পৰিয়াল পৰিচয় পত্ৰ হিচাপে পূৰ্বতে ধনী-দুখীয়া সকলোকে দিয়া কাৰ্ডৰ বিপৰীতে সুলভ মূল্যৰ সামগ্ৰীৰ যোগান ধৰা হৈছিল। এতিয়া খাদ্য সুৰক্ষাৰ আইন প্ৰণয়নৰ পাছত এই কাৰ্ডৰ অধিকাৰী সকললৈ চাউলৰ যোগান বন্ধ হ'ব নেকি, যি সকল পৰিয়ালৰ ৰেচন কাৰ্ড নাই, তেওঁলোকে খাদ্য সুৰক্ষাৰ প্ৰ-পত্ৰ কাক জমা দিব আদি সম্পৰ্কে পুংখানুপুংখকৈ বিশ্লেষণ কৰাৰ দৰকাৰ। এই ক্ষেত্ৰত প্ৰথমতে আধাৰ কাৰ্ড প্ৰদান কৰাটো সমীচিন হ'ব বুলি ভাবিব পাৰি।

খাদ্য সুৰক্ষাত পৰিয়ালে প্ৰতি (৫ জনৰ বাবে) মাহে ২৫ কেজি চাউলহে দিয়াৰ কথা কৈছে। আগতে পৰিয়ালে প্ৰতি সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৩৫ কেজি চাউলৰ যোগান ধৰা হৈছিল। এই সমগ্ৰ প্ৰক্ৰিয়াটো ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ মাধ্যমত পৰিচালিত হ'ব। কিন্তু অসমত এই আঁচনি কাৰ্য্যকৰণৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ। চৰকাৰে প্ৰায় ২.৫৩ কোটি লোকক গড়ে ৫ কেজিকৈ ১.২৬৫ লাখ টন চাউল বিতৰণ কৰিব লাগিব। তাৰ বাবে নূন্যতম ২.৫ লাখ টন মজুত কৰিব পৰাকৈ ভৰাল লাগিব। ইয়াৰ উপৰিও যথেষ্ট সংখ্যক ৰেচন দোকানৰ প্ৰয়োজন হ'ব।

উপৰোক্ত কথাখিনিৰ পৰা জনা যায় হিতাধিকাৰীৰ নিৰ্বাচন, ৰেচন কাৰ্ডৰ বিতৰণ, আন্তঃগাঠনিৰ উন্নয়ন তথা সু-প্ৰশাসন আদি বিভিন্ন বিষয়ত কোনো ধৰণৰ বিতৰ্কৰ সূত্ৰপাত নোহোৱাকৈ এক স্পষ্ট নীতিৰ আধাৰত খাদ্য সুৰক্ষা আইন কাৰ্য্যকৰী কৰিলেহে ইয়াৰ উদ্দেশ্য সফল হ'ব।

*****

# The Problem of Teaching And Learning English As A Second Language

**Mrs. Nalini Bora**
Assistant Professor, Dept. of English , Kampur College.

English, the mothertongue of the English is now a universal language. It has stored next to our mothertongue. It has become official language too. English is no more a foreign language. Now a non English can read, write and speak English like an English born, brought up and educated in England. But still most of the students from vernacular medium and rural areas are very poor in English. They are fear struck and allergic to English. These students may score 60%-80% marks in core subjects but not in English. But why ? Now, lets us examine some of the various factors responsible for this.

To Begin with, the first and foremost factor is the Socio-Economic Condition of the family. Most of the parents from lower class family are cultivators and have no proper institutional education. Therefore, they have no time and ability to offer proper guidance for their children. No doubt, these parents have dreams and hopes to see their children successful. Again, the society, where there is the least of English speaking people can not provide a platform for speaking English. So, Students of that society can not communicate verbally to anybody else even in fear of being insult. Thus, the students who has no proper guidance and scope remains poor in English.

Secondly, in the class room, the English teacher is bound to cover the given syllabus in a given time. I must mention here that in Assam, a general English class is attended by hundreds of students. In such an over crowded classroom the teacher can not give individual attention. The teacher in a class, may be of 45 minutes or so, can not interact with each of the students. He or She can not check the khatas or each one of them. As a result, majority of the students are unable to learn how to read, write and speak good English.

Lack of students motivation is one of the most important problems. It is a fact that some students bunk the class and some other sit without paying attention to the teacher. Some students are busy chatting with class mates and some of them are unable to follow the teacher. But the result is exactly the same – that is the lack of proper knowledge in English. To solve these problems the teacher must motivate the students. The teacher should give them interesting class room activities, adopt interactive method or change his or her teaching style.

We, the people of the under developing countries are still using traditional classrooms which lack advanced teaching-learning aids. Now an alert teacher can easily surf internet and download teaching materials and utilize them properly in the class. The teacher must let the students know how they can take advantage of modern Science and technology.

There are so many problems of teaching and learning English as a second language. Insufficient time, resources and materials are always raising their heads but still we can not stop learning English. We can not do without English. The web of the English language covers the whole world. Both in national and international level, English is the common language of communication. If we know English we can sit for competitive exams. If we know English we can easily use the gifts of Science such as computer, i-pod etc.

The problems of teaching and learning English is actually world-wide. The problems are broadly discussed and solutions are thought and offered. But the problem still persists. What we do is encourage the students. The approach should be learning specific rather scoring specific. That means, students are to be encouraged how to learn English, use English in their regular communications and appropriate use of English grammar. They must not be advised only to score more in their English exams. A good scorer in English exams may not be able to speak English properly due to his poor communication skills. In that case how can we categorize that students ? A students can be taken as a literate in English while he could properly read English, Write English and speak English. For the greater interest of the teacher students and society as a whole, let us try to solve the problems collectively and make English easy to teach and learn.

# GLOBALIZATION AND INCLUSIVE GROWTH IN INDIA -AN OUTLOOK INTO THE HEALTH SECTOR

Deep Kalita, Kampur College

Though the elements of globalization were prevalent in India from very past, it was the **Economic Crisis of 1990**, which pushed India to swim across the waves of globalization since 1991. Since then, India has experienced the strong elements of globalization in the form of Economic Reforms. During the First Generation, India's reform policies have concentrated in the product market only. After experiencing it, India's policy makers put pace in the globalization process by reforming the policies related to the factor market and service sector also.

The world economy has experienced unprecedented growth in the past five years. India is also not out of the scene and made significant economic progress. The dynamic growth of India has stimulated by an intensification of globalization in the form of trade and investment flows. . India is regarded as potential superpowers in the 21st century. According to World Bank, India's share of world GDP could nearly double by 2020. Even with an average GDP growth of 5.3 percent, India's share of world exports is expected to improve from 0.8 percent in 2000 to 3.9 percent by 2020.

## Sustainability and Inclusive Growth:

No doubt, India has gained the rhythm of globalization, but the issue is now regarding its sustainability. The sustainability of this growth requires the inclusion of all the agents in this rhythm to sing the chorus of growth.

Human capital is one of the important indicator of sustainability in the growth process. It promotes capabilities of the people to en cash the opportunities of globalization. But, the actual picture is gloomy in India. EDUCATION and HEALTH are the two important determinants of human capital, which are now dominated by the private sector in India. Due to the dominance over these two sectors by the private sector has been deriving a respectable expenses from the weaker section . It aggravates the problem of poverty and inequality.

Amartya Sen said recently in Calcutta, "*India is the only country in the world that's trying to have a health transition on the basis of a private healthcare that does not exist. It doesn't happen anywhere else in the world. We have an out-of –the pocket system, occasionally supplemented by government hospitals, but the whole trend in the world is towards public health systems.*"

The health economist Dr. Shaktivel Selvaraj says, "*we are the only country in the world with a huge percentage of privatized healthcare. According to recent estimates, approximately 39 million people are being pushed into poverty because of high out-of-pocket expenses on healthcare. In 1993-94, the figure was 26 million people.*"

As published recently in the weekly magazine "OUTLOOK" :

- 70% of India still lives in the villages where only 2% of qualified allopathic doctors are available.
- The WHO ranked India's public healthcare system 112th out of 190 countries.
- The top three causes of death in India are Malaria, Tuberculosis and Diarrhea, all treatable.
- An estimated 60,000 to 100,000 child deaths occur annually due to measles(an infectious disease accompanied by red spots on the skin), a treatable disease.
- 56% of all new born deaths occur in 5 states: Uttar Pradesh, Rajasthan, Orissa, Madhya Pradesh and

Andhra Pradesh

49% of pregnant women still don't have three ante-natal visits to a doctor during pregnancy.

- India has a doctor : population ratio of . 0.5 : 1000 in comparison to 0.4 in Sri Lanka, 1.6 in China, 5.4 in UK and 5.5 in the united States of America.
- More than 40,000 people die every year of mosquito-borne diseases, which are easily preventable.
- A maternity death takes place every 10 minutes.

The above facts reveal the loss in potential human development ( is the difference between the HDI and the IHDI and expressed as a percentage) in India. According to the 2011 Human Development Report by UNDP, the inequality adjusted HDI(IHDI) is 0.392 and the HDI for 2011 is 0.547. Thus, a loss of 28.3 percent due to inequality in the distribution of the dimension indices. which is 27.4 in Bangladesh. It reveals that Bangladesh not equipped with the waves of globalization , is losing less potential human development.

Hence, the nature of growth during the period of globalization in India is of exclusive nature.

**Reasons of Non-inclusive growth in India during Globalization:**

(i) A large number of the population is employed in the informal sector generally in low paid.
(ii) Low productivity job with no access to training.
(iii) Access to basic services including health care and electricity is limited.
(iv) Failure to canalize the benefits of public expenditure to the target group due to administrative failure and corruption.

**Steps Required :** If India has to attain the sustainability of growth in this era of globalization, the inclusive growth mechanism is essential. It demands;

(i) Reform in the administrative mechanism to prevent corruption and proper implementation of the public policies.
(ii) Reform in the land ownership act.
(iii) Public Participation Programmes.
(iv) Greater accountability of the public expenditures.

The 2011 Human Development report argues that the urgent global challenges of sustainability and equity must be addressed together.

According to Jagdish Bhagwati, " *The globalization face will smile only if the legs and the body are in good shape. There are many players in making the face of globalization smile. The body consists of the corporate groups, the State, the market, the scientists, innovators, technologists and the Civil Society groups. The State through its instruments of good governance forms the legs and if they are weak, globalization is also weak."*

To conclude, basically the problem with us have been the failure to reform ourselves in accordance to the need of the market oriented economy. We have experienced enough under the umbrella of regulation, subsidy, and rationing and poverty eradication programmes. Let us change our mindset and fit ourselves in the market oriented economy to take the advantage of opportunities in the era of globalization. We are to set a new order of globalization for that local and rural people get benefited from it and the Gandhian philosophy of "VILLAGE SARVODAYA" can be achieved in the era of globalization.

***References:***

Globalisation and Poverty: Centre for International Economics, Australia.

Globalisation Trend and Issues T.K.Velayudham,

Globalisation and India Lecture: Prof .Sagar Jain, University of N.Carolina.

Repositioning India in the Globalised World Lecture: V.N.Rai.

# কামপুৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদকৰ আদৰণি

শ্ৰী পূৰ্ণানন্দ নাথ

সতীৰ্থ প্ৰতিনিধিবৃন্দ !

জয় জয়তে কামপুৰ মহাবিদ্যালয়ৰ শিক্ষক-গোটৰ হৈ আপোনাসৱক হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। কামপুৰ মহাবিদ্যালয় তথা কামপুৰ বাসীৰ বাবে আজিৰ দিনটো পূন্যৰ দিন। কস্মিন কালেও কামপুৰ মহাবিদ্যালয়ত এনে বিজ্ঞ সমাজৰ সমাবেশ ঘটা নাই। নগাওঁ মৰিগাওঁ জিলাৰ অন্তৰ্গত মুঠ চৈধ্য খন মহাবিদ্যালয়ৰ শিক্ষক সমাজৰ ভাৱ বিনিময়ৰ স্থল হৈ পৰা কামপুৰ মহাবিদ্যালয় আজি ধন্য।

কামপুৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ আহবানক্ৰমে নৱম বাৰ্ষিক মাণ্ডলিক অধিৱেশনখনি কামপুৰত অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত নগাওঁ-মৰিগাওঁ জিলা মাণ্ডলিক কমিটিয়ে যি ইতিবাচক সিদ্ধান্ত দিলে, সেই সিদ্ধান্তৰ বাবে কামপুৰ মহাবিদ্যালয় শিক্ষক গোট চিৰকৃতজ্ঞ।

অসম কলেজ শিক্ষক সন্থা অসমৰ এক সৰ্ববৃহৎ সংগঠন। এই বৃহৎ সংগঠনটোৰ প্ৰতি কামপুৰ মহাবিদ্যালয়ৰ সাংগঠনিক অৱদানৰ ভূমিকা তেনেই ক্ষীন। মাথোন বাৰ্ষিক অধিৱেশন সমূহত ভাগ লৈ প্ৰতিনিধিৰ ভূমিকাহে পালন কৰি আহিছে। অৱশ্যে নগাওঁ-মৰিগাওঁ জিলা মাণ্ডলিক কমিটি গঠন হোৱাৰ পিছৰ পৰা উক্ত কমিটিত কামপুৰ মহাবিদ্যালয়ৰ সাংগঠনিক অৱদানৰ নূন্যতম লেখ এটা দিব পাৰি। কামপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মাননীয় অধ্যাপক মহম্মদ তফাজুল হুছেইন ডাঙৰীয়াই উপ-সভাপতি, মহম্মদ চান্দমিন আহমেদ আৰু মহম্মদ মহিউদ্দিন আহমেদ ডাঙৰীয়াই কাৰ্য্যকৰী সদস্য হৈ যৎকিঞ্চিৎ সাংগঠনিক ভূমিকা পালন কৰি কামপুৰ মহাবিদ্যালয়ক ধন্য কৰিছে। তেখেতসকলৰ ওচৰত মহাবিদ্যালয়ৰ শিক্ষক গোট কৃতজ্ঞ।

কামপুৰ মহাবিদ্যালয় শিক্ষক গোটে অসম কলেজ শিক্ষক সংস্থাৰ ন্যায্য দাবীসমূহৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই আহিছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰিখত দৰমহা প্ৰবৰ্তন, সংশোধিত হাৰত বেতন ক্ৰম প্ৰবৰ্তন, চাকৰিৰ নিৰাপত্তা বিধি প্ৰণয়ন, বকেয়া ধন আদায়, প্ৰমোচনৰ ক্ষেত্ৰত থকা বিসংগতি দূৰীকৰণ আদি ন্যায্য দাবীবোৰৰ প্ৰতি সমৰ্থন জনাই আহিছে। ইয়াৰোপৰি অসম কলেজ শিক্ষক সংস্থাৰ পৰামৰ্শকে সাৰোগত কৰি যান্মাসিক পদ্ধতিৰ বিষয়ে বিস্তৃত ভাবে ছাত্ৰ-ছাত্ৰীক অৱগত কৰিবলৈ প্ৰতিবছৰতে নাম ভৰ্ত্তিৰ পিছতে একোখন কৰ্মশালা, আলোচনা চক্ৰ অনুষ্ঠিত কৰি আহিছে। পৰীক্ষাৰ সংস্কাৰ

সাধন কৰা, পাঠ্যসূচীত নতুনত্ব প্ৰদান কৰা, মহাবিদ্যালয় পৰ্য্যায়ত নতুন নতুন পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা, শিক্ষকৰ মাজত ভাৱ বিনিময় কৰা আদি বিদ্যায়তনিক দিশ সমূহৰ ক্ষেত্ৰত অসম কলেজ শিক্ষক সংস্থাই গ্ৰহণ কৰা মতামতৰ প্ৰতি সমৰ্থন জনাই আহিছে। অসম কলেজ শিক্ষক সংস্থাৰ সুদৃঢ় নেতৃত্বক কামপুৰ মহাবিদ্যালয় শিক্ষক গোটে ভৱিষ্যতলৈও সমৰ্থন জনাই যে থাকিব, সি সত্য।

আজিও অসম কলেজ শিক্ষক সংস্থাক শিক্ষক সমাজৰ স্বাৰ্থক সুৰক্ষা দিয়া সংগঠন বুলিয়েই সমাজৰ গৰিষ্ঠ সংখ্যকে ভাবে। সমাজৰ গৰিষ্ঠ সংখ্যকে আজিও নেভাৱে অসম কলেজ শিক্ষক সংস্থাই যে উচ্চ শিক্ষাৰ শৈক্ষিক বাতাবৰণৰ বিশুদ্ধতা নিৰ্ণায়ক ৰূপে সেৱা কৰি আহিছে, উচ্চ শিক্ষাক গতিশীলতা প্ৰদান আহিছে আৰু গোলকীকৰণ - উদাৰীকৰণ - ব্যক্তিগতকৰণৰ প্ৰভাৱত উচ্চ শিক্ষাই সন্মুখীন হোৱা অশুভ প্ৰত্যাহ্বান ৰোধ কৰাত ব্ৰতী হৈ আহিছে।

উচ্চ শিক্ষাৰ মূলতে প্ৰতিযোগিতামুখী, সাৰ্বজনীন আৰু বজাৰমুখী নহয়। উচ্চ শিক্ষা মূলতে শিক্ষাৰ্থীৰ গুণগত মান নিৰ্ণায়ক। অসম কলেজ শিক্ষক সংস্থা প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহৰ প্ৰতিনিধি সমূহৰ এক গৌৰোজ্বল অনুষ্ঠান, যি শিক্ষাৰ বজাৰমুখী গতি প্ৰতিহত কৰা সংগঠন ৰূপে থিয় দি আহিছে। বৰ্তমানো উচ্চ শিক্ষাৰ বজাৰমুখী গতিক নস্যাৎ কৰি প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ সংখ্যা দিনে দিনে বাঢ়িবলৈহে লৈছে। বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যানুপাতে শিক্ষকৰ সংখ্যা বহু মহাবিদ্যালয়ত নিচেই কম। অসম কলেজ শিক্ষক সংস্থাই এই ক্ষেত্ৰত শিক্ষকৰ অধিক প্ৰয়োজনীয়তাৰ কথা চৰকাৰ পক্ষক অৱগত নকৰাকৈ থকা নাই। মহাবিদ্যালয়ত শিক্ষকৰ অভাৱ। এই অভাৱ দূৰীকৰণৰ দাবী উচ্চ শিক্ষাৰ উন্নয়ণৰ বাবে কৰা ন্যায্য দাবী। অসম কলেজ শিক্ষক সংস্থাৰ এনে ন্যায্য দাবীয়ে সংস্থাক সংগ্ৰামী অনুষ্ঠান ৰূপে চিহ্নিত কৰাতকৈ সংস্থাক উচ্চ শিক্ষাৰ গতিশীলতা ৰক্ষক ৰূপেহে চিহ্নিত কৰিব পাৰি। অসম কলেজ শিক্ষক সংস্থাই এনে ধৰণৰ দাবী উচ্চ শিক্ষাৰ উন্নয়ণৰ ক্ষেত্ৰত উত্থাপন কৰাৰ বহু উদাহৰণ দাঙি ধৰিব পাৰি, যি সমূহ দাবীয়ে সংস্থাক গতিশীল সংগঠন ৰূপে চিনাকি দিয়ে।

কামপুৰ মহাবিদ্যালয় শিক্ষক গোটে বহু দিনৰে পৰা নগাওঁ-মৰিগাওঁ জিলাৰ বিজ্ঞ মহলৰ এক মিলন ক্ষেত্ৰ কামপুৰত লাভ কৰাৰ হাবিয়াস পুহি ৰাখিছিল। সেই হাবিয়াস পূৰণ হোৱাৰ পথ প্ৰশস্ত হ'ল।

উচ্চ শিক্ষাৰ গতিশীলতাৰ ধাবক, বাহক আৰু ৰক্ষক ৰূপে সংস্থাৰ মহাবিদ্যালয়ৰ শিক্ষক সকলৰ পাৰস্পৰিক বুজা-বুজি আৰু সদিচ্ছাৰ বিনিময় এই কামপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা নৱম মাণ্ডলিক অধিৱেশনত ৰচনা হওক।

জয়তু অসম কলেজ শিক্ষক সংস্থা।

# কামপুৰ মহাবিদ্যালয়ৰ গীত

গীতিকাৰ ঃ ভানু শইকীয়া, অসমীয়া বিভাগ, কামপুৰ মহাবিদ্যালয়

আলোক সন্ধানি আমি
আলোকৰ যাত্ৰী
বজাই জ্ঞান বীণা
বন্দো বাগ্‌দেবী
আমি আলোকৰে যাত্ৰী।
কপিলী গঙ্গাৰ তীৰ উজলাই
জ্ঞানৰ দিপালী উঠিছে জ্বলি
ভেদা-ভেদ পৰিহৰি
যাওঁ আমি আগবাঢ়ি
জ্ঞানৰ সৰগ ধিয়াই।
কন্দলি মাধৱৰ চৰণ ধিয়াই
জগত গুৰুৰ বন্দনা গাই
আগবাঢ়ি যাওঁ আমি
জ্ঞানৰ পোহৰ বিলাই
দশোদিশ উজলাই।

## জিলা মাণ্ডলিক কমিটিৰ অন্তৰ্গত

### নগাঁও-মৰিগাঁও মহাবিদ্যালয় সমূহৰ নাম তালিকা

১। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়।
২। কলিয়াবৰ মহাবিদ্যালয়।
৩। কামপুৰ মহাবিদ্যালয়
৪। খাগৰিজান মহাবিদ্যালয়
৫। জাগীৰোড মহাবিদ্যালয়।
৬। জি. এন্. ডি জি বাণিজ্য মহাবিদ্যালয়।
৭। নগাঁও মহাবিদ্যালয়।
৮। নগাঁও ছোৱালী মহাবিদ্যালয়।
৯। ধিং মহাবিদ্যালয়।
১০। বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়।
১১। মৰিগাঁও মহাবিদ্যালয়।
১২। মৈৰাবাৰী মহাবিদ্যালয়।
১৩। ৰহা মহাবিদ্যালয়।
১৪। ৰূপহী মহাবিদ্যালয়।

## অসম কলেজ শিক্ষক সংস্থাৰ

### নগাঁও-মৰিগাঁও মাণ্ডলিক কমিটি

| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰী গণেশ মেধি, মৰিগাঁও মহাবিদ্যালয় |
| উপ-সভাপতি | ঃ | শ্ৰী জয় কুমাৰ সিংহ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় |
| সম্পাদক | ঃ | শ্ৰী মৃদুল কুমাৰ শৰ্মা, ৰহা মহাবিদ্যালয় |
| সহ-সাধাৰণ সম্পাদিকা | ঃ | শ্ৰী ববিতা বৰুৱা, ৰূপহী মহাবিদ্যালয় |
| কোষাধ্যক্ষ | ঃ | শ্ৰী শান্তনু বৰদলৈ, বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় |
| হিচাপ পৰীক্ষক | ঃ | শ্ৰী শৈলেন শৰ্মা, নগাঁও মহাবিদ্যালয় |
| কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য | ঃ | শ্ৰী আমিনুল ইছলাম, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় |
| পদেন সদস্য | ঃ | শ্ৰী বিশ্বজিৎ ভূঞা, সাধাৰণ সম্পাদক, অসম কলেজ শিক্ষক সংস্থা ও সম্পাদক উত্তৰ-পূৰ মণ্ডল (AIFUCTO) |
| | | শ্ৰী ইন্দ্ৰনাৰায়ণ মহন্ত, কলিয়াবৰ মহাবিদ্যালয় |
| | | শ্ৰীমতী অমিয়া পাটৰ, নগাঁও ছোৱালী মহাবিদ্যালয় |

# অসম কলেজ শিক্ষক সংস্থাৰ নগাঁও-মৰিগাঁও মণ্ডলৰ নৱম বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতি আৰু বিভিন্ন উপ-সমিতি সমূহৰ নাম তালিকা

উপদেষ্টা মণ্ডলী (আদৰণি সমিতি)

১। শ্ৰীযুত গহিত শইকীয়া ঃ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ, কামপুৰ মহাবিদ্যালয়।

২। শ্ৰীযুত সভাৰাম মজুমদাৰ ঃ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ, কামপুৰ মহাবিদ্যালয়।

৩। শ্ৰীযুত পদ্মেশ্বৰ শইকীয়া ঃ প্ৰাক্তন সম্পাদক ঃ প্ৰশাসনীয় সমিতি, কামপুৰ মহাবিদ্যালয়।

৪। শ্ৰীযুত মহেন্দ্ৰনাথ হাজৰিকা ঃ প্ৰাক্তন অধ্যাপক, কামপুৰ মহাবিদ্যালয়।

৫। শ্ৰীযুত মহিউদ্দিন আহমেদ ঃ প্ৰাক্তন অধ্যাপক, কামপুৰ মহাবিদ্যালয়।

৬। শ্ৰীযুত তফাজ্জুল হুছেইন ঃ প্ৰাক্তন অধ্যাপক, কামপুৰ মহাবিদ্যালয়।

৭। শ্ৰীযুত দিলীপ লস্কৰ ঃ প্ৰাক্তন পুথিভৰালী।

৮। শ্ৰীযুত থুলেশ্বৰ বৰা ঃ প্ৰাক্তন উচ্চ বৰ্গ সহায়ক।

৯। শ্ৰীযুত চান্দমিন আহমেদ ঃ ভাৰপ্ৰাপ্ত অধ্যক্ষ, কামপুৰ মহাবিদ্যালয়।

১০। শ্ৰীযুত হিৰেন্দ্ৰনাথ শৰ্মা ঃ সম্পাদক, প্ৰশাসনীয় সমিতি, কামপুৰ মহাবিদ্যালয়।

## স্মৃতিগ্ৰন্থ উপ-সমিতি

১। শ্ৰী ভানু শইকীয়া ঃ আহ্বায়ক।

২। শ্ৰী মিনি দেৱী।

৩। শ্ৰী ৰিজু লস্কৰ

৪। শ্ৰী দীপ কলিতা

৫। শ্ৰী জ্যোতিৰূপা ডেকা

## খাদ্য উপ-সমিতি

১। শ্ৰী পদুম কাকতি (আহ্বায়ক)

২। শ্ৰী নমিতা বৰঠাকুৰ

৩। শ্ৰী ৰূপা লস্কৰ

৪। শ্ৰী প্লাৰিকা নেওঁগ

৫। শ্ৰী পাৰুল ভূঞা

৬। শ্ৰী বিনোদ বৰা

৭। শ্ৰী জ্যোতিকা বৰুৱা

## ব্যৱস্থাপনা উপ-সমিতি

১। শ্ৰী প্ৰদীপ লস্কৰ (আহ্বায়ক)

২। শ্ৰী প্ৰশান্ত লস্কৰ

৩। শ্ৰী মন্টু চেতিয়া

৪। শ্ৰী অজিত বৰা

৫। শ্ৰী পান্নালাল পুৰকায়স্থ

## পঞ্জীয়ন উপ-সমিতি

১। শ্ৰী ৰিজু লস্কৰ (আহ্বায়িকা)

২। শ্ৰী নলিনী বৰা

৩। শ্ৰী কুশল টাইড

৪। শ্ৰী অতনু বৰা

৫। শ্ৰী অৰূপ বৰুৱা

৬। শ্ৰী জ্যোতিৰেখা কলিতা

## স্বেচ্ছাসেৱক উপ-সমিতি

১। শ্ৰী প্ৰশান্ত লস্কৰ ঃ (আহ্বায়ক)

২। শ্ৰী দেৱাশিস শইকীয়া

৩। শ্ৰী শান্তিৰাম লস্কৰ

৪। শ্ৰী খৰ্গেশ্বৰ বৰা

৫। শ্ৰী নবীন বৰা।

৬। শ্ৰী প্ৰদীপ লস্কৰ (পুথিভৰাল সহায়ক)

৭। শ্ৰী পুলিন বৰা

৮। শ্ৰী কাশ্যপ বৰা

## সাংস্কৃতিক উপ-সমিতি

১। শ্ৰী প্ৰশান্ত কুমাৰ দাস ঃ (আহ্বায়ক)

২। শ্ৰী জগজিত বৰুৱা

*With best wishes from -*

# SANKAR MADHAB HARDWARE

**NEW MARKET : KAMPUR : NAGAON : ASSAM**

**Ph. No. (03672) 266006, 9435162917(M)**

**Deals in : All kinds of G.C. Sheet, G.P. Sheet A.C. Sheet, Cements, Bricks, Rod, G.I. Pipes, P.V.C. Pipes, Paints & General order suppliers.**







অসম কলেজ শিক্ষক সংস্থাৰ
নগাঁও-মৰিগাঁও মণ্ডলৰ
নৱম বাৰ্ষিক মাণ্ডলিক অধিৱেশনলৈ
শুভেচ্ছাৰে ...........



অসম গ্ৰামীণ বিকাশ বেংক
**Assam Gramin Vikash Bank**
आसाम ग्रामीण बिकास बैंक



২১-০২-১০৬৯ তাৰিখে কামপুৰ মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপনৰ মুহূৰ্তত ঁ দেৱকান্ত বৰুৱা আৰু ঁ কনক চন্দ্ৰ বৰঠাকুৰ দেৱ।

মুদ্ৰক - কম্পিউটাৰ পইন্ট, মেইন ৰোড, হোজাই, ফোন - ৯৮৬৪৪৬১৫৩৫